Admission : 2025-26
NEIMT
Website : neimtghy.org
Dr. RP Road, Ganeshguri, Ghy-06
Ph. : 98641-42817

সত্যৰ অন্বেষণত সত্য পথত

# গণস্তম্ভ

RNI-Regd. No. : ASSASS/2017/74022

An Assamese Weekly News Paper

Website : www.ganastambha.in

Email : ganastambhanews@gmail.com

DIPR Apprved No. IPRD.02/2012/42

● Ganastambha Weekly, Vol-IX, No.-2, Guwahati, Friday, 29 August, 2025, Rs. : 7.00, Page : 8 ● নৱম বছৰ ● সংখ্যা ২ ● ১২ ভাদ, ১৯৪৭ শক ● শুকুৰবাৰ, ২৯ আগষ্ট, ২০২৫, মূল্য ঃ ৭/-, পৃষ্ঠা-৮




**গণস্তম্ভ বিশেষ ...**

## অভিষেক দাসৰ হত্যাকাৰীৰ শাস্তি হ'বনে ?

■ ডিম্বেশ্বৰ শৰণীয়া

সৌ সিদিনা অৰ্থাৎ ২০ আগষ্ট তাৰিখে তামোলপুৰ জিলাৰ কচুকাটা গাঁৱৰ দীপক দাসৰ পুত্ৰ ■ ৬ পৃষ্ঠাত

**গণস্তম্ভ চিন্তন...**

## চৰকাৰী চিকিৎসালয়ত গাফিলতি কিয় ?

■ সমুজ্জ্বল ডেকা

স্বাস্থ্যই পৰম ধন বুলি আমি জানি আহিছোঁ। পৰিস্থিতি সাপেক্ষে বিভিন্ন সময়ত মানুহৰ বেমাৰ-আজাৰ হয়। ৰোগ নিৰাময়ৰ নিমিত্তে অজস্ৰ ■ ৬ পৃষ্ঠাত

**গণস্তম্ভ দৃষ্টিকোণ...**

## বাংলাদেশীৰ নামত অসমৰ ৰাজনীতি ভুৰা

■ কে এ মান্নান

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছৰ পৰাই আজিলৈকে অসমত বাংলাদেশী আৰু বিদেশী বিতাড়ন বা বহিষ্কাৰ নামত অসমৰ একাংশ ৰাজনৈতিক ■ ৬ পৃষ্ঠাত

**গণস্তম্ভ প্ৰেক্ষাপট...**

## অসমৰ মেৰুকৰণ ৰাজনীতি আৰু আজান পীৰৰ প্ৰাসঙ্গিকতা

■ ব্ৰজেন দাস

সম্প্ৰতি অসমত মেৰু বিভাজনৰ ৰাজনীতিৰ ঢৌ তুংগত উঠিছে। কোনোৱে এই মেৰুকৰণ ৰাজনীতিৰে গাদী দখলৰ বৈতৰণি পাৰ হোৱা কথা ভাবিছে। ■ ৬ পৃষ্ঠাত

**গণস্তম্ভ কলম**

## সুস্বাস্থ্যৰ বাবে দিনচৰ্যাৰ বিষয়সমূহ

■ ডাঃ প্ৰণৱ শৰ্মা

চিকিৎসা শাস্ত্ৰৰ মতে দিনচৰ্যাৰ অৰ্থ হ'ল আমি দিনটোত কৰিবলগীয়া বিষয়সমূহ। কিন্তু আমি ইয়াত মানুহৰ দেহৰ ওজন সংতুলনত ৰাখিবলৈ দৈনন্দিন কি ■ ৬ পৃষ্ঠাত

**একেদিনাই তিনি শতাধিকৰো অধিক যোগদান বিজেপিত**

## বিটিচি নিৰ্বাচন ঃ ভেৰগাঁৱত ইউপিপিএল, বিপিএফৰ বৃহৎ খহনীয়া

**গণস্তম্ভ, ওদালগুৰি, নৱ কুমাৰ ডেকা ঃ** সমাগত বিটিচি নিৰ্বাচনক লৈ সমগ্ৰ বিটিচিত নিৰ্বাচনী গৰম বতাহৰ ৰাজনীতিয়ে আকৰ্ষণীয় কৰি তুলিছে বড়োভূমি। ওদালগুৰিৰ ১০টা পৰিষদীয় সমষ্টিৰ লক্ষ্য বিজেপিৰ, ক'ৰবাত যদি বিজেপিৰ খহনীয়াৰ সৃষ্টি হৈছে আন ক'ৰবাত আকৌ বিজেপিৰ উত্থানত শংকিত হৈ পৰিছে বিৰোধী দল। বিশেষকৈ মৃতদল ইউপিপিএলৰ দখলত থকা ভেৰগাঁও পৰিষদীয় সমষ্টিতো ■ ৬ পৃষ্ঠাত



## গহপুৰৰ কলমৌগুৰিত নাবালিকা ধৰ্ষণকাৰী গ্ৰেপ্তাৰ

**গণস্তম্ভ, গহপুৰ, মৌচুমী কাকতি ঃ** হাৰাজান আৰক্ষী চকীৰ অন্তৰ্গত কলমৌগুৰিত যোৱা ২৮ আগষ্টত এটা নাবালিকা ধৰ্ষণ কাৰীক আটক কৰি আৰক্ষীয়ে জেল হাজোটলৈ প্ৰেৰণ কৰে। ■ ৬ পৃষ্ঠাত

**একেদিনাই ৬০ মেট্ৰিকটন গোমধান বিক্ৰী**

## জোনাইৰ শ শ কৃষকৰ মুখত প্ৰাপ্তিৰ হাঁহি

**গণস্তম্ভ, জোনাই, সত্য হাজৰিকা ঃ** দেশ স্বাধীনতাৰ ৭৯ সংখ্যক বছৰ অতিক্ৰম কৰাৰ পাছত প্ৰথমবাৰলৈ জোনাই ঐৰামঘাটৰ পাঁচ শতাধিক কৃষকে ■ ৬ পৃষ্ঠাত




**পুনৰ বিতৰ্কৰ মাজত সোমালে গ্ৰেপ্তাৰৰ হুংকাৰ মুখ্যমন্ত্ৰীৰ**

# গ্ৰেপ্তাৰ হ'ব পাৰে চৈয়দা হামিদ



### 'অসম অনুপ্ৰৱেশকাৰীৰ আশ্ৰয়স্থল নহয়'

**গণস্তম্ভ ষ্টাফ ঃ** পৰিকল্পনা আয়োগৰ প্ৰাক্তন সদস্যা চৈয়দা হামিদে গুৱাহাটীৰ এখন নাগৰিক সভাত অংশ লৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলক বৈধতা প্ৰদানৰ অপচেষ্টাৰ বিৰুদ্ধে পুনৰ এবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এখন বিশেষ সংবাদমেলত এই বিষয়টোক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, অসম অনুপ্ৰৱেশকাৰীৰ আশ্ৰয়স্থল নহয়। কোনো কাৰণতে তেওঁলোকক বৈধতা প্ৰদান কৰা নহ'ব। ■ ৬ পৃষ্ঠাত

## অসম বুকছ অফ ৰেকৰ্ডত হাউলী ৰাস মহোৎসৱৰ নাম অন্তৰ্ভুক্ত ৭০০০ মহিলাই একলগে পৰিৱেশন কৰিলে থিয়নাম

**গণস্তম্ভ, সৰভোগ, মনজিৎ দাস ঃ** অসমৰ গুৰুজনাৰ আদৰ্শক বিশ্ব দৰবৰাত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসেৰে আজি ■ ৬ পৃষ্ঠাত

## বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত এডভান্স লিনিয়াৰ এক্সিলেৰেটৰ আৰু ই-অফিচৰ সুবিধা

**গণস্তম্ভ, গুৱাহাটী সদৰ, ৰাহুলজ্যোতি বৰা ঃ** গুৱাহাটীৰ আৰ্য নগৰস্থিত ভাৰত চৰকাৰৰ পাৰমাণৱিক শক্তি বিভাগৰ ■ ৬ পৃষ্ঠাত

## চিত্ৰশিল্পী ৰণ্টুৰে একক চিত্ৰ প্ৰদৰ্শনীত কলকাতা বাসীৰ মন মুহিলে


**গণস্তম্ভ সেৱা, ডুমডুমা ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমাৰ সু-সন্তান তথা ডুমডুমা অম্বিকাগিৰী পথৰ নিবাসী চিত্ৰশিল্পী ৰন্তু লহকৰে কলকতাৰ নিচিনা ভাৰতবৰ্ষৰ এখন ■ ৬ পৃষ্ঠাত

**অসমত কিয় অচল হয় চৰকাৰৰ অভিলাষী আঁচনিবোৰ**

## দৰঙত অমৃত সৰোবৰ আঁচনিৰ পয়ালগা অৱস্থা



**গণস্তম্ভ, মঙলদৈ বিশেষ, মলয় বৰুৱা ঃ** অসমখন চৰকাৰী আঁচনি উদ্ভাৱনৰ যেন সৰ্বশ্ৰেষ্ঠ কাৰখনা। স্বাধীনতাৰ পৰৱৰ্তী দশকৰ পৰা ধাৰাবাহিকভাৱে ৰূপায়িত হৈ যোৱা আঁচনিবোৰৰ প্ৰায় নৱৈ শতাংশৰেই আজি নামগোন্ধ নাই। আশীৰ দশকৰ কৃষ্ণ ফলক আঁচনিৰ পৰা মামনি, মাজনী, মাইনা নতুবা শেহতীয়া অমৃত সৰোবৰ আঁচনি সম্প্ৰতি ধোবাংবাং উঠিছে। এই অমৃত সাৰোবৰ আঁচনিৰ নামত প্ৰকৃততে হৈছে কি খবৰ লোৱাৰ উপায় বোধয় চৰকাৰৰ হাততো আজি নোহোৱা হ'ল। ৰাজহুৱা ধনক চৰকাৰী ধন সজাই কৰা এইবোৰ জনতাৰ প্ৰতি যেন চূড়ান্ত ■ ৬ পৃষ্ঠাত



**বিজেপিৰ দুৰ্গৰূপে খ্যাত বাতাচীপুৰত সভা**

## বাটাচীপুৰত বিটিআৰৰ প্ৰধান প্ৰমোদ বড়োৰ ৰণশিঙা



**গণস্তম্ভ, ওদালগুৰি, নৱ কুমাৰ ডেকা ঃ** বিপিএফ দলৰ পাছত আজি ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়োৰে বিজেপিৰ দুৰ্গৰূপে খ্যাত বাতাচীপুৰত কঁপনি তুলি এখন বিশাল ৰাজহুৱা সভাত ■ ৬ পৃষ্ঠাত

**ৰাজমাই গৰু বজাৰত অভাৱনীয়ভাৱে কমিছে গৰুৰ বিক্ৰী**

## ডিমৌত ষ্টক কৰি বাংলাদেশ আৰু নাগালেণ্ডলৈ চোৰাং গৰু সৰবৰাহ অব্যাহত



**গণস্তম্ভ সেৱা, নাজিৰা ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সামান্তৰালকৈ শিৱসাগৰত বৃদ্ধি পাইছে গৰুৰ চোৰাং সৰবৰাহ। গো-মাংস নিষিদ্ধ হোৱাৰ পাছতো ডিমৌ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ হৈ বাংলাদেশ আৰু আমগুৰি ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথ হৈ নাগালেণ্ডলৈ চোৰাং গৰু সৰবৰাহ অব্যাহত আছে। শিৱসাগৰ জিলা ডিমৌ দেওবৰীয়া ৰাজমাই গৰু বজাৰ আৰু দিচাংমুখ সাপ্তাহিক গৰু বজাৰৰ লগতে ডিব্ৰুগড় জিলা চিলাপথাৰ সাপ্তাহিক গৰু বজাৰৰ পৰা ডিমৌ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ হৈ ■ ৬ পৃষ্ঠাত

**পৰ্বতঝোৰাৰ দেৱীতলাত বিজয় সংকল্প যাত্ৰাত ড° হিমন্ত বিশ্ব শৰ্মা**

## ত্ৰিপ'ল ইঞ্জিনৰ চৰকাৰ একেলগে চলিলে বিটিআৰবাসী ৰাইজৰ সমবিকাশ হ'ব ঃ মুখ্যমন্ত্ৰী

**গণস্তম্ভ, পৰ্বতঝোৰা, ভাৰ্গৱ ব্ৰহ্ম ঃ** বিটিআৰ পৰিষদীয় নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিকদলে নিজৰ নিজৰ স্থিতি প্ৰদৰ্শন কৰি থকা সময়তে আজি পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত দেৱীতলাত অনুষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ বিজয় সংকল্প যাত্ৰাৰ ৰাজহুৱা সভাত অংশ গ্ৰহণ কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। কোকৰাঝাৰ জিলা বিজেপি দলৰ উপসভাপতি তথা তিনিবাৰৰ প্ৰাক্তণ বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে আতঁ ধৰা ৰাজহুৱা সভাখনত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ■ ৬ পৃষ্ঠাত



## মন্দিয়াত লাভ জেহাদৰ বলি হিন্দু যুৱতী

**শংকিত হিন্দু সমাজ, ঘটনাৰ বুজ ললে হিন্দু জাগৰণৰ সজাতি দলে**

**গণস্তম্ভ, বৰপেটা, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** ৰাজ্যত আকৌ লাভ জেহাদৰ ঘটনাই শংকিত কৰি তুলিছে হিন্দু সমাজক। পিছে এইবাৰ লাভ জেহাদৰ চিকাৰ হৈছে বৰপেটাৰ মন্দিয়াৰ হিন্দু যুৱতী। জানিব পৰা মতে যোৱা ২০ আগষ্টত বৰপেটা জিলাৰ অন্তৰ্গত মন্দিয়া পথাৰ নিবাসী ছাহজাহান আলীৰ পুত্ৰ ইকবাল হুছেইনে প্ৰেমৰ ছলনাৰে ■ ৬ পৃষ্ঠাত

**গণস্তম্ভ নলগা জেং**




এইখিনি সময়ত ভাত নাৰান্ধি বোৱাৰীয়ে কিনো ৰীল বনাইছে হেৰৌ, অমুকাই কিন্তু এইবোৰ মুখত দিয়াত নাই...

**চৰাই-চিৰিকটিৰ গুঞ্জনেৰে মুখৰিত কবু চাপৰি**

## বেদখলমুক্ত কবু চাপৰিলৈ বিভিন্ন বন্যপ্ৰাণী, পৰিভ্ৰমী পক্ষীৰ আগমণ

**গণস্তম্ভ, জোনাই, সত্য হাজৰিকা ঃ** জোনাইৰ কবু চাপৰি এতিয়া বেদখলমুক্ত। মানুহবিহীন কবু চাপৰি পৰিণত হৈছে বন্যপ্ৰাণীৰ বিচৰণভূমিলৈ। কবু চাপৰিৰ অৰণ্যভূমিত এতিয়া মুক্তমনে বিচৰণ কৰিছে বিভিন্ন ধৰণৰ চৰাই চিৰকটি, দুষ্প্ৰাপ্য বন ঘৰচীয়া ঘোঁৰা আদিয়ে। উল্লেখযোগ্য যে সন্দেহযুক্ত বেদখলকাৰীক উচ্ছেদৰ পিছতে কবু চাপৰিৰ ৫০০ হেক্টৰ বিঘা ভূমি এতিয়া বনৰীয়া ঘোঁৰা, হাতী, বান্দৰ, পৰিভ্ৰমি চৰাই চিৰিকটি দখলত। ■ ৬ পৃষ্ঠাত





An Assamese Weekly News Paper
সত্যৰ অন্বেষণত সত্য পথত
গণতন্ত্ৰ
গুৱাহাটী, সাপ্তাহিক, শুকুৰবাৰ, ২৯ আগষ্ট, ২০২৫

## ১৯ বছৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট

# সহজ বিজয়ৰে ধেমাজি আৰু ডিব্ৰুগড়ৰ অগ্ৰগতি

**গণতন্ত্ৰ সেৱা, মৰিগাঁও ঃ** অসম ক্ৰিকেট সন্থাৰ জৰিয়তে পৰিচালিত ১৯ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ 'গ্ৰুপ 'চি'ৰ পঞ্চমখন খেলত ধেমাজি জিলা ক্ৰীড়া সন্থাই ওদালগুৰি জিলা ক্ৰীড়া সন্থাক ৮ উইকেটত সহজে পৰাভূত কৰি ক্ৰমাগত দ্বিতীয়খন খেলত বিজয়ী হৈ সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ আতিথ্য আৰু ক্ৰিকেট উপশমিতিৰ তত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আজিৰ ৰমখন খেলত ওদালগুৰি জিলা ক্ৰীড়া সন্থাই প্ৰথমে বেটিং কৰি ধেমাজি দলৰ আকৰ্ষণীয় বলিঙৰ সন্মুখত নতশীৰ হৈ ১২-২ অভাৰত সকলো উইকেট হেৰুৱাই মাত্ৰ ৩২ ৰাণহে সংগ্ৰহ কৰে। বলিঙত ধেমাজিৰ হৈ বিদূষী সন্দিকৈয়ে ছ্ছটা আৰু প্ৰিয়াংশ্ৰী দত্তহ ৩টা উইকেট দখল কৰে। প্ৰত্যুত্যৰত সহজ লক্ষ্য অনুসৰণ কৰি ধেমাজি দলে ৭-২ অভাৰত চটা উইকেট হেৰুৱাকৈ, ৰাণ সংগ্ৰহ কৰি বিজয় লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হয়। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক তথা প্ৰশিক্ষণপ্ৰাপ্ত কিউৰেটৰ সমুদ্ৰ নাৰায়ণ মেধীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা ধেমাজি দলৰ বিদূষী সন্দিকৈক প্ৰদান কৰে। বিয়লিৰ ভাগত অনুষ্ঠিত দ্বিতীয়খন খেলত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই ১০৯ ৰাণৰ বৃহৎ ব্যৱধানত চিৰাং জিলা ক্ৰীড়া সন্থাক পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি ডিব্ৰুগড় দলে ১৯ অভাৰত গৃতীক্ষা শইকীয়াৰ আকৰ্ষণীয় ৪৯, পয়ুনিধি দাসৰ ৩৯ আৰু স্বত্বি বিশ্বাসৰ ২০ ৰাণৰ সহায়ত সকলো উইকেট হেৰুৱাই ১৪৫ ৰাণ সংগ্ৰহ কৰে। চিৰাঙৰ হৈ বলিঙত দিশা সাহাই প্ত টা, মনিকা দাস আৰু বিবিকা ৰায়ে ২টাকৈ উইকেট কৰে। কৰে। প্ৰত্যুত্যৰত লক্ষ্য অনুসৰণ কৰি চিৰাং দলে ১৩-৫ অভাৰত সকলো উইকেট হেৰুৱাই মাত্ৰ ৩৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বলিঙত ডিব্ৰুগড় দলৰ হৈ জয়শ্ৰী পাঠক, হেপ্পী সোণোৱাল আৰু ছাৰা আহমেদে চ টাকৈ উইকেট দখল কৰে। ডিব্ৰুগড় দলৰ পয়ুনিধি দাসে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। অসম ক্ৰিকেট সন্থাৰ পেনেল আম্পায়াৰ বিদ্যুত কুমাৰ বৰুৱা আৰু সোমৰাজ পালে আজিৰ দুয়োখন খেল পৰিচালনা কৰে।

# পুনৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে বিস্ফোৰক মন্তব্য বিপিএফৰ যুৱ নেতা বিক্ৰম দৈমাৰীৰ



**গণতন্ত্ৰ, ওদালগুৰি, নব কুমাৰ ডেকা ঃ** ষষ্ঠ অনুসূচী আৰু ট্ৰাইবেল বেল্ট এণ্ড ব্লক একেলগে কেতিয়াও থাকিব নোৱাৰে। ষষ্ঠ অনুসূচী প্ৰদান কৰি জনজাতি সকলক পৰ্যাপ্ত আৰক্ষণ প্ৰদান কৰা হৈছে। গতিকে একেলগে দুটা সুবিধা লাভ কৰাৰ কোনো যুক্তি নাই -- এয়া আছিল ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ ভাষ্য। দিলীপ শইকীয়াৰ এই মন্তব্যৰ পাছতে জাঙুৰ খাই উঠিছে বিটিচিৰ জনজাতিসকল। শেহতীয়াকৈ দিলীপ শইকীয়াৰ এই মন্তব্যক উভতি ধৰিছে বিপিএফ নেতা বিক্ৰম দৈমাৰীয়ে। দিলীপ শইকীয়াৰ এই মন্তব্যই জনজাতি সকলৰ অস্তিত্বলৈ ভাবুকি আনিব বুলি শংকা ব্যক্ত কৰি বিপিএফৰ নেতাজনে কয় যে নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ বিটিচিৰ আদিবাসী আৰু কোচ-ৰাজবংশীসকলে জনজাতিকৰণৰ দাবী উত্থাপন কৰি অহাৰ সময়ত দিলীপ শইকীয়াৰ দৰে এগৰাকী শীৰ্ষ বিজেপি নেতাই কৰা এনে মন্তব্যই বৰ্তমানৰ জনজাতি সকলকে নহ'য় জনজাতিকৰণৰ আন্দোলন চলাই থকা জনগোষ্ঠী সমূহকো চূড়ান্ত অপমান কৰিছে। জনজাতিসকলৰ সুবিধা কৰ্তনৰ আহ্বান জনোৱা দিলীপ শইকীয়াক জৱাবদিহী কৰিবলৈ আদিবাসী আৰু কোচ-ৰাজবংশী জনগোষ্ঠীয় নেতৃত্বক আহ্বান জনাই বিপিএফৰ নেতা বিক্ৰম দৈমাৰীয়ে। ইফালে ভেৰগাঁও পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বিটিচিৰ ই এম দাউবাইছা বড়োই নিৰ্বাচনৰ প্ৰাক্মুহুত্বত ৰাইজৰ মাজত বাচন-বৰ্তন বিলোৱা কাৰ্যকো কটাক্ষ কৰে বিপিএফৰ নেতা জনে। বাচন-বৰ্তন বিটিআৰ চুক্তিৰ ডাঙৰ উপহাৰ বুলি কটাক্ষ কৰি তেওঁ পাঁচ বছৰে বিটিআৰ চুক্তি অনুসৰি ভেৰগাঁও সমষ্টিৰ বাবে উল্লেখযোগ্য একো কৰিব নোৱাৰা ই এম গৰাকীয়ে নিৰ্বাচনৰ প্ৰাক্মুহুত্বত দিল্লীৰ পৰা বাচন- বৰ্তনৰ ৰূপত বিটিআৰ চুক্তিৰ উপহাৰ আনি ৰাইজৰ মাজত বিলাই আছে ই এম গৰাকীক সমালোচনা কৰে বিপিএফৰ নেতা গৰাকীয়ে।

# এমআইচিএই মুকলি কৰিলে ভাৰতৰ প্ৰথমখন স্কুল অৱ এপ্লাইড ক্ৰিয়েটিভিটি




**গণতন্ত্ৰ সেৱা, মুম্বাই ঃ** সৃষ্টিশীলতা, প্ৰযুক্তি, আৰু শিক্ষাৰ সংমিশ্ৰণ ঘটোৱা এক অগ্ৰণী পদক্ষেপত এমআইচিএই পূৰ্বতে (মুদ্ৰা ইন্‌ষ্টিটিউট অৱ কমিউনিকেচনছ, আহমেদাবাদ) কল্পনা, গল্প কোৱা, সংবাদ মাধ্যম, আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ শিখৰত ভৱিষ্যতৰ দক্ষতাৰে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰাৰ বাবে ভাৰতৰ স্বতন্ত্ৰ প্ৰতিষ্ঠান স্কুল অৱ এপ্লাইড ক্ৰিয়েটিভিটি আৰম্ভ কৰিছে। স্কুল অৱ এপ্লাইড ক্ৰিয়েটিভিটিয়ে দুটা ফ্লেগশ্বিপ ৰেচিডেন্সিয়েল প্ৰগ্ৰেম আগবঢ়াব -ক্ৰাফটিং ক্ৰিয়েটিভ কমিউনিকেচনছ শচচিচিচিগ্ন: প্ৰগ্ৰেমটোক সম্পূৰ্ণৰূপে এপ্লাইড ক্ৰিয়েটিভিটিৰ ওপৰত গুৰুত্ব আৰোপ কৰা এবছৰীয়া কাৰ্যসূচীলৈ সংস্কাৰ কৰা হৈছে। মিডিয়া, কণ্টেণ্ট আৰু এণ্টাৰটেইনমেণ্টত পিজিপি: ভৱিষ্যতৰ কণ্টেণ্ট নেতাসকলক লক্ষ্য কৰি দুবছৰীয়া ইমাৰ্চিভ প্ৰগ্ৰেম। প্ৰতিটো পাঠ্যক্ৰমৰ নামভৰ্তি প্ৰক্ৰিয়া লিখিত পৰীক্ষা আৰু MICATৰ মিশ্ৰণ হ'ব। এই পাঠ্যক্ৰমটো ব্ৰিটেইনৰ চেণ্ট্ৰেল চেণ্ট মাৰ্টিনছ, নটিংহাম ট্ৰেণ্ট ইউনিভাৰ্চিটি, ইউনিভাৰ্চিটি অৱ চাউদাৰ্ন কেলিফৰ্ণিয়া (ইউ এছ চি)ৰ দৰে প্ৰতিষ্ঠানৰ পৰা অনুপ্ৰাণিত আৰু ইয়াৰ বিশেষ লেব যেনে এ আই এণ্ড ক্ৰিয়েটিভিটি লেব, নেৰেটিভ ডিজাইন লেব, আৰু কালচাৰ এণ্ড ফিউচাৰ্ছ লেব। পাঠ্যক্ৰমৰ কেন্দ্ৰবিন্দু হৈছে অনুশীলন ভিত্তিক শিক্ষণ, উদ্যোগৰ সৈতে সহযোগিতামূলক পাঠদান আৰু বিশ্বব্যাপী অধ্যাপক। টিনা আম্বাণী (অধ্যক্ষ, এমআইচিএ ফাউণ্ডেশ্যন), জয়া দেশমুখ (সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া, এমআইচিএ), ৰামকুমাৰ ৰামমূৰ্তি (প্ৰাক্তন চিএমডি, কগনিজেণ্ট ইণ্ডিয়া আৰু বৰ্তমানৰ অংশীদাৰ, কেটালিংকছ)কে ধৰি সন্মানীয় গণ্যমান্য ব্যক্তিসকলে শোভা বঢ়াই এই উন্মোচনৰ কথা ঘোষণা কৰে। সভাত ভাষণ দি এমআইচিএ ফাউণ্ডেশ্যন ফৰ কমিউনিকেচন ৰিচাৰ্চ এণ্ড এডুকেচনৰ অধ্যক্ষ টিনা আম্বাণীয়ে কয়, 'প্ৰতিষ্ঠাৰ পিছৰে পৰা এমআইচিএ সদায় বক্ৰৰ আগত আছে। মাৰ্কেটিং, কমিউনিকেচন আৰু সংস্কৃতিৰ মাজত গভীৰ সংযোগ দেখা পোৱা প্ৰথম সকলৰ ভিতৰত আমি আছিলো। আমি ডিজিটেলটো এতিয়াও উত্থান হৈ থকাৰ সময়তে আকোৱালি লৈছিলো। আমি ডিজাইন চিন্তাধাৰাক ব্যৱসায়িক শিক্ষালৈ আনিছিলো, ইয়াৰ বহু আগতেই ই এটা বাজৱৰ্ড হোৱাৰ আগতেই। আৰু আজি, আমি অব্যাহত ৰাখিছো। সেই উত্তৰাধিকাৰ, কল্পনাক ভৱিষ্যতৰ কৌশলগত মুদ্ৰা হিচাপে স্বীকৃতি দি আৰু কল্পনাৰ যুগত সৃষ্টিশীল নেতা হ'বলৈ ব্যক্তিসকলক শক্তিশালী কৰাৰ আমাৰ দৃষ্টিভংগীক আৰু অধিক শক্তিশালী কৰি।"

## চিনাদীত অংকুৰিত হ'ল "অগ্নিশিখা ভ্ৰাম্যমাণ নাট্য দল"

# সমাজ পৰিৱৰ্তনৰ শ্ৰেষ্ঠ মাধ্যম নাটক ঃ উদয় বৰ্মন



**গণতন্ত্ৰ, মুকালমুৱা, সুৰজিত পাঠক ঃ** অসমৰ নাট্য জগতত কালিৰে পৰা সংযোজিত হ'ল অগ্নিশিখা ভ্ৰাম্যমাণ নাট্য দলৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বাট দেখুৱাই যোৱা নাট্যজগতখনত মুগদি - চিনাদী গাঁৱৰ পৰা অংকুৰতি হয় অগ্নিশিখা ভ্ৰাম্যমাণ নাট্য দলৰ। চিনাদী গাঁৱৰ বিশিষ্ট অভিনেতা ভবাণী দাসৰ বাসগৃহত মাংগলিক কাৰ্যসূচীৰে অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলৰ আত্মপ্ৰকাশ ঘটে। সেই উপলক্ষত পুৱা বিভিন্ন ধৰণৰ মাংগলিক কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছত বিয়লিৰ ভাগত নাট্যদলটিয়ে আনুষ্ঠানিকভাৱে আত্মপ্ৰকাশ কৰে। বিয়লি নাট্যদলটিৰে আখৰা গৃহৰ মুখ্যদ্বাৰ উন্মোচন কৰাৰ পাছতেই নাট্যজগতখনত সন্নিবিষ্ট হয় অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলৰ। দ্বাৰ মুকলি কৰে বিশিষ্ট সমাজকৰ্মী শান্ত কুমাৰ দাসে। নাৰিকল ভাঙি মাংগলিক কাৰ্যসূচী ৰূপায়ণ কৰে ধাৰাবাহিকৰ অভিনেতা সঞ্জিত কাকতিয়ে। নটৰাজৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ অভিনেতা মদন ডেকাই। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশিষ্ট অভিনেতা, কবি বাবুল বণিক্যৰ সঞ্চালনাত অনুষ্ঠিত হয় উদ্বোধনী সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নাট্যদলটিৰ প্ৰযোজক ৰণদেৱ দাসে। সভাত নাট্যদলটিৰ ২০২৫-২৬ বৰ্ষৰ ৰঙীণ পঞ্জাৰ উন্মোচন কৰে নাট্যকাৰ, অভিনেতা, শিক্ষাবিদ উদয় বৰ্মনে। ৰঙীন পঞ্জাৰ উন্মোচন কৰি নাট্যকাৰ, অভিনেতা উদয় বৰ্মনে ভাষণ প্ৰসংগত কয় যে 'সমাজ পৰিৱৰ্তনৰ শ্ৰেষ্ঠ মাধ্যম নাটক।' সামাজিক নাটক এখনে সমাজ পৰিৱৰ্তন কৰিব পাৰে, সেয়ে নাটক হ'ব লাগে সামাজিক। সভাত বেনাৰ মুকলি কৰে বিশিষ্ট ব্যৱসায়ী হজৰত আলীয়ে। উদ্বোধনী সভাত জনপ্ৰিয় কৌতুক অভিনেতা অনিৰুদ্ধ পাঠক উপস্থিত থাকি ভাষণ প্ৰসংগত নাটকৰ মাজেৰে আমাৰ জাতিটো ৰক্ষা কৰিব লাগিব বুলি কয়। সভাত সমাজকৰ্মী মামুল আলী, অভিনেতা প্ৰবীন ডেকা, স্থানীয় ৰাজহুৱাকৰ্মী সনাতন ঠাকুৰীয়া, ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰযোজক পি.জে প্ৰিন্স, জনপ্ৰিয় ধাৰাবাহিক বৰলা কাইৰ হাফিজ ভাইখ্যাত নিতুল পাটোৱাৰী, স্থানীয় গাঁও পঞ্চায়তৰ সদস্য ভৰ দাসকে প্ৰমুখ্য কৰি ভালেকেইজন বিশিষ্ট লোক উপস্থিত থাকে। নাট্যদলটিয়ে ২০২৫-২৬ বৰ্ষৰ বাবে উৎপল ভূঞাৰ 'কলিজাত প্ৰেমৰ ফুল' আৰু প্ৰশান্তজ্যোতি দাসৰ 'বিসৰ্জন' নামৰ নাটক দুখন লৈ ৰাইজৰ মাজলৈ ওলাই যাব। উদ্বোধনী সভাত ভ্ৰাম্যমাণৰ সংগীতশিল্পী গোলাপী বৰ্মন, কণ্ঠশিল্পী ঋষিৰঞ্জিত শৰ্মা আৰু অপূৰ্ব পাঠকে গীত পৰিৱেশন কৰি নাট্যপ্ৰেমী ৰাইজক মুগ্ধ কৰি তোলে। তদুপৰি সভা সঞ্চালক বাবুল বণিক্যই 'শিল্পী' আৰু নাট্যকাৰ প্ৰশান্তজ্যোতি দাসে 'কাঞ্চনজংঘা' কবিতাটো আবৃত্তি কৰি ৰাইজক উদ্বুদ্ধ কৰি তোলে। এদল ন-পুৰণি শিল্পীক লগত লৈ আত্মপ্ৰকাশ কৰা নাট্যদলটিৰ সম্পাদক অপূৰ্ব পাঠক আৰু পৰিকল্পক আৰিফে জানিবলৈ দিয়া অনুসৰি ইতিমধ্যেই অসমৰ কেইবাটাও প্ৰান্তৰ অনুষ্ঠানত নাট পৰিৱেশন কৰাৰ বাবে চুক্তিবদ্ধ হৈছে অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলে।


## শ্বহীদ মেজৰ দুৰ্গা মল্ল সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

# কোব্ৰা এফ চি গোল্মাক হৰুৱাই বিৰ্চা এফ চি চেম্পিয়ন



**গণতন্ত্ৰ, ওদালগুৰি, নব কুমাৰ ডেকা ঃ** ৰিখে সম্পন্ন হয়। উক্ত ফুটবল মহাৰণৰ প্ৰথমৰাৰ্ধৰ খেলত দুয়োপক্ষই কোন গ'ল কৰিবলৈ সক্ষম নহ'ল যদিও খেলৰ দ্বিতীয়ৰাৰ্ধৰ ৬৭ মিনিটত বিৰ্চা এফ চিৰ বিগ্ৰাই বড়োয়ে কোব্ৰা এফ চিক গ'ল কৰিবলৈ সক্ষম হয় যদিও কোব্ৰা এফ চি গোল্মাই কোনো গ'ল কৰিবলৈ সক্ষম নহ'ল। ফলত বিৰ্চা এফ চিয়ে কোব্ৰা এফ চিক ১-০ গ'লেৰে বিজয়ী হৈ বিৰ্চা এফ চি শ্বহীদ মেজৰ দুৰ্গা মল্ল সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়ন হয়। খেল পৰিচালনা সমিতিক বিশিষ্ট সমাজকৰ্মী তথা বি এচ এম ইণ্টাৰনেচনেল কোম্পানীৰ মুখ্য প্ৰবন্ধক তথা ওদালগুৰিৰ ''ফাৰ্ষ্টক্ৰাই'' চোপিং মলৰ স্বত্বাধিকাৰী দিলিপ পৌডেলে প্ৰদান কৰাা নগদ চল্লিচ হাজাৰ টকা আৰু ট্ৰফী দিলিপ পৌডেলে চেম্পিয়ন দল বিৰ্চা এফ চিক প্ৰদান কৰাৰ লগতে বিশিষ্ট সমাজকৰ্মী মিনন মোচাহাৰীয়ে প্ৰদান কৰা নগদ ত্ৰিশ হাজাৰ টকা আৰু ট্ৰফী ৰানাৰ্চ আপ কোব্ৰা এফ চিক প্ৰদান কৰে। সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰাম ছেত্ৰীয়ে শুভ উদ্‌ঘাটন কৰা ফাইনেল খেল অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে অসম গোৰ্খা সন্মিলন ওদালগুৰি জিলা সমিতিৰ সভাপতি পৱন শৰ্মা লুইঁটেল, সাধাৰণ সম্পাদক ভবেন ছেত্ৰী, অসম নেপালী সাহিত্য সভা ওদালগুৰি জিলা সমিতিৰ সভাপতি তিল বাহাদুৰ ছেত্ৰী, সাধাৰণ সম্পাদক দ্বিপেন্দ্ৰ সাপকোটা, ভাৰতীয় জনতা পাৰ্টী ওদালগুৰি জিলা সমিতিৰ সভাপতি সুনিল কুমাৰ বসুমতাৰী, বিশিষ্ট সমাজকৰ্মী গাণ্ডা খুংগুৰ বসুমতাৰী, ইউ পি পি এল ভৈৰবকুণ্ড ব্লক সমিতিৰ সভাপতি মনোজ খাক্লাৰী, সাধাৰণ সম্পাদক গোপী ছেত্ৰী, খাউৰাং হাই স্কুলৰ প্ৰধান শিক্ষক অনন্ত কুমাৰ ডেকা, বিশিষ্ট সমাজকৰ্মী লীলা গুৰুং, ওদালগুৰি থানাৰ বিষয়া, আগ্‌ছু বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ উপ-সভাপতিকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। ওদালগুৰি জিলা ক্ৰীড়া সন্থাৰ ৰেফাৰী ক্ৰমে মিৰ্দুল বসুমতাৰী, মঞ্জিত দৈমাৰী, জুলিয়াচ বসুমতাৰী আৰু ছত্ৰ বাহাদুৰ ছেত্ৰীয়ে অতি শ্ৰিংখলাবদ্ধভাৱে খেল পৰিচালনা কৰাৰ লগতে খেল পৰিচালনা সমিতিৰ ক্ৰীড়া সম্পাদক দুৰ্গা বাহাদুৰ ছেত্ৰী, ৰমেশ মগৰ আৰু ৰাম বস্নেতে খেল পৰিচালনা কৰাত সহায় আগবঢ়ায়ে। খেলৰ শুভাৰম্ভ আৰু জিৰণীৰ সময়ত বড়ো, গোৰ্খা, আদিবাসী অদি জনগোষ্ঠীৰ গীত নৰিত্যই দৰ্শকসকলক উৎসাহিত কৰিছিল। শ্বহীদ মেজৰ দুৰ্গা মল্ল সোঁৱৰণী ফুটবল প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি নিৰ্মল চিৰ্পালী আৰু সাধাৰণ সম্পাদক অভিষেক মহন্তই সম্পূৰ্ণ অতিথি, খেলুৱৈ, দৰ্শক আৰু গোৰ্খা ছাত্ৰ সন্থাৰ বিষয়ববিয়া সকলক ধন্যবাদ জ্ঞাপন কৰে।

# গেলেকীৰ কৃত্ৰিম বানপানীৰ সমস্যাক লৈ সৰৱ অসম সংগ্ৰামী সেনা




**গণতন্ত্ৰ সেৱা, গেলেকী ঃ** গেলেকী অঞ্চলত ভয়াবহ ৰূপত দেখা দিয়া কৃত্ৰিম বানপানীৰ সমস্যাক লৈ সৰৱ হৈ পৰিছে সংগ্ৰামী সেনা, অসম। আজি সংগ্ৰামী সেনাৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক মিণ্টু দুৱৰাৰ নেতৃত্বত এটা দলে বানপানী অধ্যুষিত গেলেকীৰ কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে গেলেকীৰ মাজেৰে বৈ যোৱা দৈখনা, দেনচি আদিকে ধৰি কেইবাখনো সৰু সৰু নদী নাগালেণ্ডত হোৱা অবৈধ কয়লা খননৰ ফলত উদ্ভৱ হোৱা বোকা মাটি বৈ আহি নদী কেইখনৰ সমতল পুত খাই পৰাত নদী কেইখন বাম হৈ কৃত্ৰিম বানৰ সৃষ্টি হৈছে। যাৰ বাবে গেলেকীৰ কেইটামান অঞ্চলৰ কৃষিজীৱি ৰাইজ বাৰুকৈয়ে প্ৰভাৱিত হৈছে। সমস্যাটো দিনক দিনে বৃদ্ধি পাই এতিয়া গেলেকীৰ নতুন নতুন অঞ্চল সামৰি লৈছে কৃত্ৰিম বানে। চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ এইক্ষেত্ৰত যি তৎপৰতা হ'ব লাগিছিল সেইয়া আজিও সম্ভৱ হৈ উঠা নাই। আজিও কৃত্ৰিম বানত ককবকাইছে সাধাৰণ ৰাইজে। গেলেকীৰ পৰা শিঙিবিল সংযোগী মূল পথটোৰ একাংশ ঠাই এই বানৰ কবলত পৰিছে যাৰ বাবে সমস্যাত পৰিছে সাধৰণ ৰাইজৰ লগতে, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী তথা জৰুৰীকালীন ৰোগী। এই কৃত্ৰিম বানৰ কবলত থকা অঞ্চলকেইটা পৰিদৰ্শন কৰি স্থানীয় বিধায়ক দেৱব্ৰত শইকীয়াৰ লগতে শাসনাধিষ্ঠ চৰকাৰখনৰ বিৰুদ্ধে ক্ষোভ উজাৰে সংগ্ৰামী সেনাই। ২০২৬ চনৰ নিৰ্বাচনৰ আগত চৰকাৰখনে এই সমস্যাটোৰ ওপৰত ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাইজে যোগ্য প্ৰত্যুত্তৰ দিব বুলি মত প্ৰকাশ কৰে সংগঠনটোৰ নেতা মিণ্টু দুৱৰাই। লগতে নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই এই সমস্যাৰ বিষয়ে বিশেষ পদক্ষেপ গ্ৰহণ নকৰা বুলিও অভিযোগ কৰিছে সংগ্ৰামী সেনাই।

# ভূৰবন্ধা শংকৰদেৱৰ শিশু নিকেতনত শংকৰদেৱৰ তিথি উদ্‌যাপন

**গণতন্ত্ৰ সেৱা, মৰিগাওঁ ঃ** ভূৰবন্ধা শংকৰদেৱ শিশু নিকেতনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম-তিথি আধ্যাত্মিক আৰু সাংস্কৃতিক ভাবনাৰ মাজেৰে উদযাপন কৰা হয়। স্কুল পৰিসৰত অনুষ্ঠিত এই বিশেষ কাৰ্যসূচী পুৱা নামপ্ৰসঙ্গৰ জৰিয়তে শুভাৰম্ভ হয়। এটি সুন্দৰ পৰিৱেশত ছাত্ৰ-ছাত্ৰী, আচাৰ্য -আচাৰ্যা আৰু অভিভাৱক সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত নিকেটনৰ ছাত্ৰ-ছাত্ৰীসকলে মহাপুৰুষৰ সৃষ্টিকাৰ্য আৰু সমাজ সংস্কাৰক অনুপ্ৰাণিত কৰি বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী উপস্থাপন কৰে। বৰগীত শংকৰদেৱৰ জীৱনীমূলক ৰচনা, কুইজ প্ৰতিযোগিতাও আয়োজন কৰা হয় য'ত মহাপুৰুষৰ আদৰ্শ আৰু জীৱনদৰ্শন প্ৰতিফলিত হয়। প্ৰধান অতিথি হিচাপে উপস্থিত বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ আৰু স্থানীয় বহু সংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত প্ৰধান আচাৰ্য পংকজ কুমাৰ বৰাই মহাপুৰুষৰ আদৰ্শৰ ব্যাখ্যা কৰি কয় যে, শংকৰদেৱে সমাজত ভ্ৰাতৃত্ব, সমতা আৰু ধৰ্মীয় সহিষ্ণুতাৰ বাণী প্ৰচাৰ কৰিছিল। লগতে তেওঁ কয় যে মহাপুৰুষৰ শিক্ষা কেৱল ধৰ্মীয় আধ্যাত্মিকতাৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়, তেওঁ মানুহৰ মনত মানৱীয় গুণৰ বিকাশ ঘটাই ন্যায়পূৰ্ণ সমাজ গঠনলৈ দিশ দেখুৱাইছে। শ্ৰীমন্ত শংকৰদেৱৰ একতা আৰু সম্প্ৰতিৰ আদৰ্শ অনুসৰণ কৰাটোৱেই আজিৰ যুগত গুৰুত্বপূৰ্ণ। শিশুসকলক যদি শংকৰদেৱৰ ধৰ্ম, সংস্কৃতি আৰু নৈতিকতাৰ বাণীৰ সৈতে পৰিচয় কৰাব পাৰি, তেনেহ'লে আগন্তুক প্ৰজন্মত এটা দৃঢ় সমাজ গঢ়িব পৰা যাব। অনুষ্ঠানত অংশগ্ৰহণ কৰা অভিভাৱক আৰু স্থানীয় লোকসকলেও শিশু নিকেতনৰ এই উদ্যোগক ধন্যবাদ জনায়। তেওঁলোকে কয়, প্ৰাথমিক শিক্ষাৰ পৰা শংকৰ-সাহিত্য আৰু বৰ্ণপৰিচয় দিয়া হ'লে শিশুসকলৰ মানসিক আৰু নৈতিক বিকাশত এক বিশেষ ভূমিকা পালন কৰিব। পৰৱৰ্তী সময়ত দিনটোৰ কাৰ্যসূচী শংকৰদেৱৰ স্মৃতিত সামূহিক প্ৰাৰ্থনা আৰু নামপ্ৰসঙ্গৰে সমাপ্ত হয়। সমগ্ৰ অনুষ্ঠানটোত আচাৰ্য আচাৰ্যা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱক আৰু স্থানীয় লোকৰ উপস্থিতিয়ে এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰে।

# সমাগত বিটিচি নিৰ্বাচন

## চিৰাঙত ডিজিপি হৰমীত সিঙৰ আইন-শৃংখলা সন্দৰ্ভত বৈঠক



**গণতন্ত্ৰ, কাজলগাঁও, সঞ্জয় সৰকাৰ ঃ** সমাগত বিটি চি নিৰ্বাচনক লৈ আইন-শৃংখলা আৰু নিৰাপত্তাজনিত বিষয়ত দেওবাৰে দিনৰ ৰৰ বজাত চিৰাং জিলা সদৰ কাজলগাঁওস্থিত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধান হৰমীত সিঙে অংশগ্ৰহণ কৰি জিলা খনৰ আইন-শৃংখলা আৰু নিৰাপত্তাজনিত বিষয়ৰ ওপৰত বুজ লয়। চিৰাং জিলাৰ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গ, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) অমিত কুমাৰ মাহাতো, অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ) নীতিশা সঞ্জয় জগতপ, বিজনীৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত, উপ-আৰক্ষী অধীক্ষক (সদৰ) জীৱন দাসৰ উপৰিও জিলাখনৰৰ প্ৰতিখন থানা আৰু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত পৰ্যালোচনা বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয়, চিৰাং আৰক্ষীয়ে জিলাখনত আইন-শৃংখলা আৰু অপৰাধমূলক কাৰ্যকলাপ দমন কৰাৰ ক্ষেত্ৰত অতি দক্ষতাৰ সৈতে কাম কৰি আছে। তেওঁ লগতে কয় যে, ইয়াৰ বাবে চিৰাং জিলাত অপৰাধমূলক কাৰ্যকলাপৰ সংখ্যা যথেষ্ট নিম্নগামী হৈছে আৰু জিলাখনত শান্তিৰ পৰিৱেশে বিৰাজ কৰি আছে। বি টি চি নিৰ্বাচন যাতে কোনো ধৰণৰ আইন-শৃংখলাজনিত পৰিৱেশ সৃষ্টি নোহোৱাকৈ সম্পূৰ্ণ শান্তিপূৰ্ণ আৰু ভয়-ভীতি অবিহনেই নিৰ্বাচন অনুষ্ঠিত হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই চিৰাং জিলা আৰক্ষীৰ সৈতে এনে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয়। নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰি বৈঠকত জিলাখনৰ পূৰ্বতে নিৰ্ধাৰিত কৰি ৰখা কিছু এলেকাত প্ৰয়োজন অনুসৰি নিৰাপত্তা বাহিনী নিয়োগ কৰাৰ ওপৰতো বিশেষভাৱে আলোচনা কৰা হয় বুলি আৰক্ষী বিষয়াগৰাকীয়ে লগতে সদৰী কৰে।

**হেৰাইছে**

মোৰ পঢ়া সকলো প্ৰমাণপত্ৰ ক্ৰমে HSLC, HS, BSc পাছ কৰা চাৰ্টিফিকেটবোৰ হেৰাইছে।

**শ্ৰী ধৃতিমান বুজৰবৰুৱা**
**পিতা ঃ গৌতম বুজৰবৰুৱা**
**গাঁও ঃ দতৰা,**
**পোঃ অঃ দক্ষিণগাঁও**
**থানা ঃ ঘগ্ৰাপাৰ**
**জিলা ঃ নলবাৰী**
**ফোন ঃ ৭৬৩৭০২২৬৩৩**

## বি টি আৰৰ পৰিষদীয় নিৰ্বাচন! ঃ ৪০টা সমষ্টিত প্ৰাৰ্থী দিব ভোটাৰ পাৰ্টী ইণ্টাৰনেশ্যনেল দলে

# মূল্যবোধৰ ৰাজনীতিৰে শান্তিপূৰ্ণভাৱে গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচনত অংশগ্ৰহণ



**গণতন্ত্ৰ, কাজলগাঁও, সঞ্জয় সৰকাৰ ঃ** আগন্তুক বি টি আৰৰ পৰিষদীয় নিৰ্বাচনত যুঁজ দিবলৈ অন্যান্য ৰাজনৈতিক দলৰ লগতে ভোটাৰ পাৰ্টী ইণ্টাৰনেশ্যনেল চমুকৈ ভি পি আই নামৰ দলটিয়ে টঙালি বান্ধিছে। দলটিয়ে বিগত ২০২০ চনৰ পৰিষদীয় নিৰ্বাচনত ২০টা সমষ্টিত অৱতীৰ্ণ হৈছিল যদিও এইবাৰ ৪০টা সমষ্টিতেই প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ প্ৰস্তুতি চলাইছে। সোমবাৰে এক সংবাদমেলযোগে ভি পি আই দলে ৩০টা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। চিৰাং জিলা সদৰ কাজলগাঁওস্থিত চিৰাং প্ৰেছ ক্লাবত আয়োজিত এক সংবাদমেলত দলটোৰ ৰাষ্ট্ৰীয় উপ - সভাপতি ললিত পেগুৱে সমষ্টি ভিত্তিত প্ৰক্ষেপিত প্ৰাৰ্থীসমূহৰ নাম আনুষ্ঠানিক ভাবে ঘোষণা কৰে। দলে প্ৰক্ষেপ কৰা সমষ্টিৰ বিপৰীতে প্ৰাৰ্থীৰ তালিকা এনেধৰণৰ - চনং গুমা সমষ্টি (অসংৰক্ষিত) আনোৱাৰ আলী, ৩ নং শ্ৰীৰামপুৰ (অজনজাতি) চোমাই মুৰ্মু, ৫ নং চৰাইবিধ (জনজাতি) মেধি ৰাভা, ৬ নং কচুগাঁও (জনজাতি) প্ৰবাজিৎ মুছাহাৰী, ৮নং দোতমা (জনজাতি) বিশ্বনাথ বসুমতাৰী, ১০নং দেৱৰগাঁও (জনজাতি) ছানিয়া নাৰ্জাৰী, ১১নং বাওখুংগ্ৰী (জনজাতি) নিৰ্মল বসুমতাৰী, ১২ নং চালাকাটি (জনজাতি) টনন দৈমাৰী, ১৩ নং চিৰাং (জনজাতি) বিমলা ৱাৰী, ১৪ নং চিৰাং দুৱাৰ (জনজাতি) বিনোদ নাৰ্জাৰী, ১৫ নং কাজলগাঁও (জনজাতি) তৰণি বসুমতাৰী, ১৬ নং নিছিমা (জনজাতি) তৰণী বসুমতাৰী, ১৭ নং সুভাইঝাৰ (জনজাতি) প্ৰাণেশ্বৰী গয়াৰী, ১৮ নং মানস চেৰফাং (জনজাতি) সোমেশ্বৰ বসুমতাৰী, ২০নং মঠনগুৰি (মুকলি) আবু তালেব আহমেদ, ২১নং শালবাৰী (জনজাতি) জয়ৰাম বসুমতাৰী, ২২ নং ককিলাবাৰী (জনজাতি) লৱ কুমাৰ বসুমতাৰী, ২৩নং দিহিৰা (মুকলি) অতুল চন্দ্ৰ দাস, ২৪নং মুছলপুৰ জ্জনজাতি( উৰ্মিলা দাস, ২৬ নং দৰঙাজুলি (জনজাতি) ধৰতি ৰাভা, ২৮ নং গইবাৰী (জনজাতি) জোনমণি ৰাভা, ২৯নং শুক্লাই ছেৰফাং (জনজাতি) ৰূপন বসুমতাৰী, ৩০নং গোৰেশ্বৰ (জনজাতি) বিজুলী নাৰ্জাৰী, ৩১নং খৈৰাবাৰী (মুকলি) দিনেশ্বৰ বড়ো, ৩২ নং ভেৰগাঁও (জনজাতি) ফুলন কছাৰী, ৩৫ নং মুদৈবৰি (মুকলি) তৰুণ কুমাৰ, ৩৬নং হৰিশিঙা (জনজাতি) অনিলা ৰাভা, ৩৭নং ধনশ্ৰী (জনজাতি) বুধুদেৱ বসুমতাৰী, ৩৮নং ভৈৰবকুণ্ড (জনজাতি) মৃণালিনী দৈমাৰী আৰু ৪০নং যৌনতা (জনজাতি) সম্বৰু বসুমতাৰী। সংবাদমেল সম্বোধন কৰি ললিত পেগুৱে অধিক আগ্ৰাসী নহৈ মূল্যবোধৰ ৰাজনীতিৰে শান্তিপূৰ্ণভাৱে সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। সংবাদ মেলত ললিত পেগুৰ লগতে দলটোৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি তৰণী বসুমতাৰী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰজয় বসুমতাৰীকে ধৰি দলটোৰ চিৰাং জিলাৰ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# চিকিৎসক সুব্ৰত দে আৰু ঈশ্বৰ প্ৰসন্ন বৰদলৈ দিছপুৰ প্ৰেছ ক্লাবৰ ২০২৫ বৰ্ষৰ বঁটা





**গণতন্ত্ৰ ষ্টাফ ঃ** অহা ৩১ আগষ্ট দেওবাৰে গুৱাহাটীত চিকিৎসক সুব্ৰত দে লৈ দিছপুৰ প্ৰেছ ক্লাবৰ ২০২৫ বৰ্ষৰ মানৱ সেৱা বঁটা আগবঢ়োৱা হৈছে। শৰীৰৰ ভিন্ন বিষ নিৰাময়ৰ ক্ষেত্ৰত কৰি অহা সেৱাৰ বাবে আগবঢ়োৱা হৈছে এই বঁটা আৰু অসম প্ৰদেশ বিজেপিৰ বাণিজ্য কোষৰ সহ: আহ্বায়ক, পৰিৱৰ্তন স্বেচ্ছাসেৱী সংগঠনৰ সভাপতি আৰু চেণ্ট্ৰেল কাৰাটে একাডেমিৰ সভাপতি ঈশ্বৰ প্ৰসন্ন বৰদলৈক দিছ্পুৰ প্ৰেছ ক্লাবৰ ২০২৫ বৰ্ষৰ সমাজ বান্ধৱ বঁটা আগবঢ়োৱা হৈছে বৰদলৈয়ে সমাজৰ বিভিন্ন দুৰ্যোগৰ সময়ত বিভিন্ন মাধ্যমৰে সহায় সহযোগিতা আগবঢ়াইছিল।

# শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথিত হৰি নামৰে মুখৰিত ৰাজ্যৰ সত্ৰ-নামঘৰ



**গণতন্ত্ৰ, লাহৰীঘাট, পুলক মেধি ঃ** তিৰোভাৱ তিথি সমগ্ৰ অসমবাসীৰ বাবে এক অত্যন্ত গৌৰৱময় আৰু আধ্যাত্মিক দিন। আজিৰ দিনটোতেই জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি ৰূপে পালিত হৈ আহিছে। অসমীয়াৰ ধৰ্ম-সংস্কৃতি, কৃষ্টি- সংস্কৃতি, সাহিত্য-সংগীত সকলো ক্ষেত্ৰত তেওঁৰ অৱদানসমূহ অমূল্য। ৰাজ্যজুৰি থকা প্ৰতিটো নামঘৰ আৰু সত্ৰত বিশেষ নামপ্ৰসংগ, কীৰ্ত্তন আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজেৰে পালন কৰা হৈছে গুৰুজনাৰ তিৰোভাৱ তিথি। তিৰোভাৱ তিথি উপলক্ষে গুৰুজনাৰ জন্মস্থান মৈৰাবাৰীৰ পাতেকীবড়ী সত্ৰতো ভক্তজনৰ ভিৰ পৰিলক্ষিত হৈছে। মৰিগাঁও জিলাৰ মৈৰাবাৰীত অৱস্থিত শ্ৰীশ্ৰীপাটেকীবড়ী সত্ৰতো আজিৰ দিনটোত পালন কৰা হৈছে শংকৰ দেৱৰ তিৰোভাৱ তিথি। শতাধিক ভক্তই একত্ৰিত হৈ নামপ্ৰসংগত অংশগ্ৰহণ কৰিছে। ভক্তজনৰ মাজত গুৰুজনাৰ উপদেশ আৰু আদৰ্শক জীৱনত সাৰোগত কৰাৰ এক অনন্য প্ৰয়াস দেখা গৈছে। পুৱাৰে পৰা ভকত বৈষ্ণৱ, আইমাতৃ সকলে সমগ্ৰ সত্ৰ খনত নাম কীৰ্তন কৰা দেখা গৈছে। পাতেকীবড়ী সত্ৰৰো ভক্তসকলৰ সমাগমে এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰিছে।

# বৰপেটাত অসম, পশ্চিমবংগ, মেঘালয় ভিত্তিত অনুষ্ঠিত দবা খেলত চাহিদা আঞ্জুমৰ শ্ৰেষ্ঠত্ব অৰ্জন



**গণতন্ত্ৰ, বৰপেটা, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** বৰপেটা কিংছ গাম্বিত চেছ একাডেমীৰ উদ্যোগত ১৭ আগষ্টত ৰামেশ্বৰ বিবাহ ভৱনত অনুষ্ঠিত হোৱা দবা প্ৰতিযোগিতাৰ ছোৱালী শাখাত চাহিদা আঞ্জুমে শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। মুঠ ১৮০ গৰাকী খেলুৱৈৰ অংশ গ্ৰহণেৰে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত ৰপ্ত বছৰৰ ছোৱালী অনুৰ্ধৰ শাখাত প্ৰথম স্থান অধিকাৰ কৰে চাহিদা আঞ্জুমে। সপ্তম শ্ৰেণীৰ ছাত্ৰী চাহিদা আঞ্জুম পিতৃ ৰাণা উদ্দিন আহমেদ আৰু মাতৃ আনোৱাৰা ৰছুলৰ একমাত্ৰ সন্তান। তেওঁ অধ্যয়নৰত বৰপেটা ছেইণ্ট টেৰেছা ইংলিছ মিডিয়াম স্কুল কৰ্তৃপক্ষ, বৰপেটা দবা সন্থাৰ লগতে বিভিন্ন জনে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰতিযোগিতাখন পৰিচালনা কৰে ফিডে আৰ্বিতাৰ প্ৰণৱ কুমাৰ নাথে। উক্ত দিনা পুৱা ভাগতে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখন সন্ধিয়া সামৰণি পৰে। বৰপেটা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অনিল কুমাৰ দাস, প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, অসম দবা এছোছিয়চনৰ সাধাৰণ সম্পাদক ৰাজিব ধৰ, দবাখেলৰ ৰাষ্ট্ৰীয় আৰ্বিটিতৰ চন্দনা তালুকদাৰ, বৰপেটা জিলা ক্ৰীয়া বিষয়া ধ্ৰুৱজ্যোতি ডেকা ৰূপম ওজা আদি উপস্থিত থাকে।

গণস্তম্ভ

An Assamese Weekly News Paper

সত্যৰ অন্বেষণত সত্য পথত

গুৱাহাটী, শুকুৰবাৰ, ২৯ আগষ্ট, ২০২৫


# কবিতা



## প্ৰথম কবিতা

মনিকা শৰ্মা, শিৱসাগৰ

কবিতা এটা লিখিবলৈ
বৰ মন গৈছে।
নিশাও গভীৰ হৈ আহিছে
মোৰ জুপুৰীৰ বেৰত
ওলোমাই থোৱা ঘড়ীটোৱেও
বাৰ বজাৰ সংকেত দিছে।
বিচাৰি ফুৰিছোঁ
মোৰ হৃদয়ৰ অভিধানত
মই লিখিব বিচৰা
কবিতাৰ শব্দ।

কলমৰ খচখনিৰে
নিৰ্গত হৈছে শব্দ।

ঐ শুনা চোন......
তুমি আছা নে...
মোৰ কাষত..... ?
মোৰ বৰ ভয় লাগিছে অ।

নিশাৰ আন্ধাৰে
গাঢ় কৰি পেলাইছে
গোটেই পৃথিৱী।

কুঁৱলীৰ আৱৰণ ফালি
বেৰৰ ফাঁকেৰে সোমাইছে
জোনৰ চিকমিকণি

তাৰেই পোহৰত লিখিছোঁ
মোৰ জীৱনৰ প্ৰথম কবিতা।
হয়তো প্ৰেমৰ কবিতা।

ঐ শুনা না.......
তুমি আছা নে..... ?
আঁতৰি নাযাবা দেই
মোৰ ভয় লাগে।

আৰু নিলিখোঁ বাৰু
কলম বৈ গৈছে
টোপনিও ধৰিছে।
ঐ শুনা.........
মোৰ কবিতাটো
ফেচবুকতে
সাঁচি থম দেই।

মাত্ৰ তুমি
লাইক কমেণ্ট কৰিবা।

তেতিয়াহে মোৰ কবিতাই
পূৰ্ণতা লাভ কৰিব।
কৰিবানে...... ?

ঐ শুনা না.....
মই শুই থাকোঁ দেই
তুমিও শুই থাকা।

শুভ ৰাত্ৰি...
অ নহয়.....
সুপ্ৰভাত.....।

## পুৰতিৰ ৰেণু

শ্বহৰ ভানু

হেঙুলিয়া দীপ্তি,
সোণবৰণিয়া ৰশ্মি,
এক মোহময় আভাসৰ প্ৰতিধ্বনি।

নিজৰাৰ পাৰে পাৰে
সেই সপোনজাক বিচাৰি অনাই বনাই
ঘোৰি ফুৰে সেই হেঁপাহৰ পক্ষী।

প্ৰতিটো পল, অনুপল যেন
নিজৰাৰ সৈতে বৈ থাকে
এক নীৰৱ সাক্ষী হৈ।

উৰুঙা হৃদয়ত সপোন হৈ
হেঁপাহৰ কিৰণত মিল যায়।
আৰু তাৰ পৃষ্ঠত লিখা থাকে---
এপাহ পুৰা, যি কেতিয়াও উভতি নাহে।

তাইৰ মন চঞ্চল,
কথাবোৰ যেন কোলাহল,
কিন্তু মিছিকিয়া হাঁহিৰ দালিমিয়া দাঁতৰ।

পুৰতিৰ ৰেণুয়ে তাইক জানো এৰিব?
ইয়ে তাইৰ পৃষ্ঠাত লিখি যায় ...
এক ৰঙীণ পংক্তি।।

## অকলশৰীয়া

অৰ্ণৱ কটকী, যোৰহাট

ভিৰৰ মাজতো আজি
নিজক বিচাৰি হেৰাই
যাওঁ কোনোবা দুৰনিত,
অকলশৰীয়া লাগে নিজক বিচাৰি।
বহুতৰ মাজতো অকলশৰীয়া আজি।।
আপোন ভাৰি লওঁ আঁকোৱালি
অকলশৰীয়া কৰি যায় তেওঁৰেই আহি।
সকলো থাকিও অকলশৰীয়া মই আজি
নিজক হেৰুৱাই নিজৰ মাজত,
বিছিন্ন মই হাজাৰজনৰ ভিৰত।।
অনুভৱ হয়নে তোমাৰ
নিজক অকলশৰীয়া বুলি?
হাতে হাত ধৰি যাবলৈ ভয়,
কিজানি এৰি যোৱা আলৈ এথানি কৰি।
বিচাৰি নাপাওঁ মই ভিৰৰ মাজত
অকলশৰীয়া হৈ ৰলোঁ আজি।।
নিজক পৃথক কৰি চলিবও নাজানো,
ইমান ভিৰৰ মাজত মনিবও নোৱাৰিলো।
নিজক নিজেই হেৰুৱাই দিলোঁ,
অচিনা পথক মই বাট বুলিলোঁ।।
আন্ধাৰ নামি মোকেই লুকুৱাই
বিচাৰি হাবাথুৰি, পাবলৈ নাই।
সংগ এৰে সকলোৱেই আজি
মিছা হাঁহি মাৰি মুখ ঢাকি।।
অনুভৱ আজি হিয়াৰ আলহী
বুকুয়েদি যায় সৰকি।
মনত পৰে নে তোমাৰ নিজানত বহি,
অকলশৰীয়া হৈ ৰ'লো আজি।।
মোৰ দৰে তোমাৰ অনুভৱ বাৰু হয়নে?

## বুকুৰ জুই

টোলন তছা, নগাঁও

কোনোবা বসন্ত বা শৰতৰ বতৰত
পথভ্ৰষ্ট শিলবোৰৰ সান্নিধ্যত
সকলোৱে হৈ পৰে এদিন
একোটা শিল আৱেগ অনুভূতিহীন।
কালধুমুহাবোৰ আহে আৰু যায়
বুকুখন খহায় চকুবোৰ গলায়
দিগন্ত বিয়পা ৰাতিবোৰেও
বিনিদ্ৰ ৰজনী কটায়।
বহু যোজন দূৰৈত বাহৰ পাতি
বুকুৰ জুইকুৰা নুমাব পৰা হ'লে
সঞ্জীৱনী সুধাৰ আশাত
ব্যাকুল হিয়াত
হুমুনিয়াহবোৰৰ চিতাগ্নি
নজ্বলিলে হয় প্ৰতিদিনে।

## তেওঁ মোৰ বিশ্বাসী বন্ধু

ছিফা চবনম, গুৱাহাটী

তেওঁ মোৰ বিশ্বাস
তেওঁ মোৰ প্ৰিয় বন্ধু
কিয়নো
তেওঁ মোলৈ আগবঢ়াই দিয়ে
বিশ্বাসৰ দুয়োখনি
সুকোমল হাত...
তেওঁৰ উদাৰতা আৰু সহমৰ্মিতাত
মোৰ মৰি যোৱা আত্মাটোও
পুনৰ জী উঠে
আৰু ভাঙি পৰা মনটোও
সজীৱ হৈ পৰে
তেওঁ মোৰ প্ৰতি দুখ, শোকৰ
চকুলো মচি দিয়ে...
তেওঁৰ বাবেই মোৰ বুকুত
গোপনে ফুলিছে
প্ৰেমৰ ৰঙা গোলাপ
আৰু এপাহ
সুখৰ খৰিকাজাঁই
তেওঁ মোৰ বৰ মৰমৰ...
তেওঁ আন কোনো নহয়
মোৰ গাৰ কাষে কাষে
গৈ থকা
মোক আৱৰি ৰখা
মই আৰু মোৰ ছাঁ.....।

## শৰতৰ সুৱাস

ত্ৰিবেণী বৰা, নাগপুৰ

ভাদ্ৰ মাহৰ শেষ ক্ষণতে মিঠা
শৰতে নতুন ওৰণি টানি ভূমুকি মাৰে.........।
পৃথিৱীয়ে বাৰিষাক বিদায় দি
আকোঁৱালি লয়....শৰতক.......।
আকোঁৱালি ভাল পাওঁ আমি .....।
শৰতৰ শুকান বাট-পথ.....
নিৰ্মল আকাশ-বতাহ.......।
স্নিগ্ধ জোনাক নিশা.... ।
শৰতৰ পূৰ্ণিমা ৰাতিতেই
ৰাস-ক্ৰীড়া কৰিছিল.....
শ্যাম কলিয়াই গোপিনী সংগে..........।
শৰতৰ সুৱাসে প্ৰকৃতিৰ
ৰূপ-ৰং সলনি কৰে..........
সুৱাস বিলাবলৈ.....সাজু হয়
শেৱালি জুপি...
ভেঁট-পদুমেও পাহি মেলে.....।
পুৱাৰ সুৰুযে বাটৰ কাষৰ
দুৱৰি দলিচাত চুমা আকিঁ যায়... ।
ৰাঙলী আভাত দুবৰিয়ে
পিন্ধে মুকুতাৰ মালা...........।
এই শৰতৰ
উমান পায়ে... ধৰাৰ বুকুলৈ আহে
শাৰদী ৰাণী মা দুৰ্গা..........।
চৌদিশে গুঢ়িত হয়
ঢাক-ঢোলৰ শব্দ.......।
মলয়াৰ ৰাগিত ভাহি আহে
মা-দুৰ্গাৰ মন্ত্ৰ উচ্চাৰণ ধ্বনি.....।
লগতে পূজাৰ জেলেপী-মিঠাই
ফুৰফুৰীয়া গোন্ধ........
শৰত তুমি আহি আছা,
আৰু সদায়ে আহিবা......
কাৰোবাৰ বাবে আনিবা
প্ৰেমৰ অনুৰাগ.....
নতুবা কাৰোবাৰ বাবে বিষাদৰ মালিতা

## প্ৰহেলিকা

স্ৰোতস্বিনী দেৱী

মোৰ এটা প্ৰশ্ন আছে
অঁ, মোৰ আপোনালৈ
এটা প্ৰশ্ন আছে

আপুনি বাৰু কেনেকৈ
নিৰ্ধাৰণ কৰে সম্বন্ধৰ?
সম্পৰ্ক আৰু সম্বোধনবোৰ কেনেকৈ
নিৰ্ধাৰিত হয় আপোনাৰ মনত?

কিবা বুজিছেনে?

আচলতে মই জানিব খুজিছোঁ
কিমানখিনি মমতাৰ নাম 'মা?'
'দেউতা' হ'বলৈনো
কিমানখিনি আত্মীকতাৰ প্ৰয়োজন?
ভাতৃ বা ভগ্নীৰ সম্পৰ্ক নিৰূপণ
কৰিবলৈ কিমান কিহৰ প্ৰয়োজন হয়?
তেজৰ, আন্তৰিকতাৰ,
দায়িত্ববোধৰ কিবা শতাংশ আছে নেকি
এনেবোৰ সম্বন্ধৰ নাম দিবলৈ?

আৰু এটা প্ৰশ্ন আছে
আচলতে আন্তৰিকতাবোৰ
ভাগ বতৰা কেনেকৈ কৰে?
তেজৰ সম্পৰ্ক মানেনো কি?
কেনেধৰণৰ তেজক,
কেনেধৰণৰ সম্বন্ধক,
কেনেধৰণৰ মৰমক ডাচবিনত
পেলোৱা হয়?
আকৌ যদি মই আপোনাক প্ৰশ্ন কৰোঁঠ
কেনেধৰণৰ তেজে ডাচবিনত পৰি থকা
তেজক নিজৰ নাম দিব পাৰে?

মই আপোনাক সুধিব বিচাৰিছোঁ
কিমান শতাংশ আন্তৰিকতাত
অনাথ শব্দ অৰ্থহীন হৈ
এক আপোনত্বৰ পৰিচয় পায়?
জানিব খুজিছোঁ কিমান
নিকৃষ্ট মানসিকতাত
কোনোবাই নিজৰ সন্তানক আন
কাৰোবাৰ হাতত তুলি দিব পাৰে?
খাবলৈ আছে বা নাই এই কথা পাছত
সন্তান জন্ম দিয়াতো যৌন ক্ষুধা নেকি?
যদি মই আপোনাক সোধোঁ?
যদি মই সেই সন্তান হওঁ?
আপুনি কি ক'ব মই সোধা প্ৰশ্নৰ উত্তৰত...?

## নিশা

ৰাজদ্বীপ নাথ

নিশাবোৰক কেতিয়াবা শুধিছনে -
স্বৰূপৰ আঁৰৰ স্বৰূপ আৰু
কাহিনীৰ আঁৰৰ কাহিনীৰ কথা?

সুধিবিচোন নিশাবোৰক -
দিনত ভদ্ৰতাৰ অভিনয় কৰা কিমান তিৰোতা
নিশা হৈ উঠে নিৰ্লজ্জ পতিতা?

নিশাবোৰক সুধিবি -
জোনাকৰ তিৰবিৰণিৰ মাজতো কেতিয়াবা
কিয় উচুপি উঠে
প্ৰেমিক কবিৰ কলম!

নিশা বোৰক সুধিবি -
কাৰ বন্ধনীৰ বাবে মাজনিশাও
ৰাজপথত ঘূৰি ফুৰে উন্মাদ কিশোৰী?
(সমাজৰ নে সভ্যতাৰ,
নে সেই এলান্ধুকলীয়া পৰম্পৰাৰ)?

নিশাৰ এন্ধাৰতে কিয়নো
প্ৰেমিকৰ দুবাহুত মূৰ থৈ
উচুপি উঠে আৱেগিক প্ৰেমিকা?
বাট নেদেখা হোৱালৈকে বৈ যায়
সিহঁতৰ দুচকুত বিষাদৰ অশ্ৰুৰ ধাৰা!

নিশাবোৰক সুধিবি-
টেমছ নদীৰ পানীত কোনে উটুৱাই যায়
অৰ্ধনগ্ন নাৰী দেহৰ টোপোলা?

সঁচাই বৰ গভীৰ এই নিশাৰ বক্ষ!
ইয়াতেই সমাহিত
কত গোপন প্ৰেমৰ অভিসন্ধি,
হত্যা, লুণ্ঠন, ধৰ্ষণে কাবু কৰা
কতজনৰ যে কিমান বিষাক্ত স্মৃতি!

## কল্পনাৰ মৰীচিকা

নাচিমা য়াচমিন
বিশ্বনাথ চাৰিআলি

এদিন মইয়ো ওলাইছিলো
সুখৰ ঠিকনা বিচাৰি,
মাজ পথত সন্মুখীন হ'লো
নানা তৰহৰ হতাশাৰ,
কিন্তু মই নিৰাশ নহ'লো
আৰু মোৰ যাত্ৰা
অব্যাহত ৰাখিলোঁ।
এঠাইত দেখা পালোঁ সন্মুখত
এক গভীৰ, দ-খাল
ভয়ত কপি উঠিল মোৰ
অন্তৰাত্মা,
মই চকু মুদি দিলোঁ...
হঠাৎ এনে অনুভৱ হ'ল
যেন কোনোবাই
মোৰ হাতখনত খামুচি ধৰি
উৰুৱাই নিলে খালৰ
সিপাৰলৈ।
চকু মেলি চৌপাশে লক্ষ্য কৰিলোঁ
শূন্য, কোনো নাই।
কেৱল এক মনোৰম
সুগন্ধি বিয়পি আছে
মোৰ কাষৰত।
এৰা,
এইয়াই মোৰ কল্পনাৰ মৰীচিকা।

## শ্বহীদ, তোমাৰ সোঁৱৰণত

শোভাৰাণী মৰাং, ধেমাজি

স্ব-দেহাটোক ত্যাগ কৰিবলৈ
কুণ্ঠাবোধ নকৰা,
গোটেই বধ্যভূমি তেজেৰে
ৰাঙলী কৰা,
হে বীৰৰো বীৰ,
হে মহান ত্যাগী,
তুমি ভাৰতীয়ৰ গৌৰৱৰ পূজাৰী,
আজিৰ এই শুভক্ষণত তোমাক,
সুঁৱৰিছো অতি গৌৰৱেৰে।
হে শ্বহীদ,
হে ধৃষ্ণুবীৰ,
তোমাৰ নামতেই আজি
আমাৰ মুৰ্চিত প্ৰাণে
প্ৰাণ ঘূৰাই পাইছে।
তুমিয়েইতো আনিলা ঘূৰাই
ভাৰতীয়ৰ স্বাধীনতা,
কৰিলা ভাৰতীয়ক বন্দ্ৰ,
আনিলা বন্দাৰু পৰিৱেশ।
হে অদীনসত্ত্ব,
হে সহিষ্ণুবীৰ,
পাৰকীট হৃদয়ৰ পাৰক্যক,
অতিলৌল্য প্ৰশাস্তা বিদেশীক
চিৰদিনলৈ খেদাবলৈ
তুমিয়েইতো সহিলা অতিমিত কষ্ট।
হে অত্ৰস্ত শ্বহীদ,
হে ভাৰতীয়ৰ পৰম পূজাৰী বীৰ,
অত্যাচাৰী দানৱৰ অথাৱৰৰ পৰা
তুমিয়েইতো কৰিলা মুক্ত
আমি শোষিত ভাৰতীয়ক।
হে শ্বহীদ,
মোৰ অন্তিম শ্বাস থকালৈ
তোমাৰ চৰণত সেৱা জনাম।
তোমাক পুনঃ প্ৰণাম জনাইছোঁ।

## তোমাৰ উশাহত মোৰ কবিতা

ভাস্কৰ প্ৰিয়ম হাজৰিকা

তোমাক দেখা পালে মোৰ ভালপোৱাৰ চহৰত
এজাক অভিমানী বৰষুণ নামে।
তুমি অভিমান কৰিলে, মোৰ দুহাতত
গজি উঠে ভালপোৱাৰ অব্যক্ত কবিতা।

তোমাৰ মেঘালী চুলিকোছাৰ উশাহত
প্ৰায়েই ধাৰসাৰ হৈ যাওঁ,
তোমাৰ সুবাসত উটি যায় মন,
তোমাৰ চকুত মোৰ
সপোনৰ বৰ্ণালী ফুটি উঠে।

তুমি মোৰ প্ৰেমৰ সাম্ৰাজ্যৰ ৰাণী,
তোমাৰ হাঁহিত গঢ়ি উঠিছে জীৱনৰ সংগীত।
উশাহবোৰ সাঁচি ৰাখিবা হৃদয়ত,
যাতে দুয়ো মিলি গাব পাৰো সুখৰ গীত।

## জীৱনক নকৰিবা অৱহেলা

চিন্ময় ডেকা, ওদালগুৰি

দিনবোৰ গৈ আছে
কাৰ বাবে,
সেই, মৌনতাৰ আশ্ৰয়!
সময়ৰ পাৰ-ভঙা উল্লাস
আজি যেন অতীত।
জীৱনৰ পুঞ্জীভূত এটি
দিগন্তৰ পাৰ্শক্ৰিয়াত
আৱেগৰ সৈতে ধেমালি।
কিমান আছিল তাহানিৰ অতপালি।
সুখ-দুখৰ দোমোজাত
কোন দিশে গৈছে সময়বোৰ
মাথোঁ নিজক সুধিৰৱ মন।
ভুলৰ বসৱৰ্তীঃ শুধৰণি
কৰিবলৈ নোৱাৰি।
জীৱনটি গৈ আছে যেনি-তেনি
বাট বুলাওঁতেই, নাই কোনো
কাৰোৱে সাঁৰথি!
নিজস্ব মতত আত্মবিভোৰ এই
স্বাৰ্থকেন্দ্ৰীক পৃথিৱী।
সময় থাকোঁতেই নিজক সুধিবা,
কোন দিশেৰে আগবাঢ়িছা,
নহ'লে জীৱনভৰ কষ্ট পাবা।

## তুমি ৰূপালী

মেৰী বৰদলৈ, নগাঁও

তুমি মোৰ মন ভাৱনাৰ
এটি সুৰ হোৱা
তুমি মোৰ
জীৰ্ণশীৰ্ণ হৃদয়খনৰ
এমুঠি ব'হাগ হোৱা

তুমি মোৰ কবিতাৰ
এটি শিৰোনাম হোৱা
তুমি মোৰ
বুকুৰ কৰণিত
এপাহি তেজাল
গোলাপ হৈ ফুলি উঠা
কাহিনীও জহিপমি নোযোৱা

তুমি মোৰ মৌন
কলিজাৰ
হৃদয়বনত
হৃদয়জুৰোৱা
এপাহি হাচনাহানা হোৱা
হাঁহি থাকিবা
খিলখিলাই মোৰ উশাহৰ
নিবিড় উপত্যকাত...!

## এটি হেঁপাহ বুকুত মাজত

মৃদুলা বৰুৱা, তেজপুৰ

আকাশেও লিখে
নীলৰঙী অসমাপ্ত কবিতাবোৰ,
যাৰ নীৰৱতাত বাউলী হওঁ
নীল আকাশৰ কোলাতে
সপোন সাঁজো জীৱনৰ।
আশাবোৰে উম লয়
কলিয়া ডাৱৰৰ কোলাত,
দিগন্তত দেখোঁ সীমনা
নীল আকাশখন
চুই চাব খোজা হেঁপাহবোৰ
পুনৰ জাগে,
যি আইতাক সাধুকথা শুনাৰ
দিনতে উপজিছিল।
সময় বাগৰিল
পাখী মেলি উৰি গ'ল অতীতবোৰ,
মাথোঁ এতিয়াও জী আছে
বুকুৰ মাজত
অকণমান হেঁপাহ
যি নিলাম হোৱাৰ পথত।

## স্বাধীন ভাৰতৰ নাগৰিক আমি

ছেলিমা বেগম, নগাঁও

স্বাধীন ভাৰতৰ স্বাধীন নাগৰিক আমি,
ইতিহাসৰ পাতত লিখা
আছে স্বাধীন আমি
হিন্দু, মুছলমান, জৈন, খ্ৰীষ্টান
সকলো স্বাধীন আমি
শ্বহীদ সকলৰ কেঁচা তেজৰ গোন্ধ
আজিও লাগি আছে নাকত।
স্বাধীনতা দিৱসৰ দিনা পুৱাই
উৰিব জাতীয় পতাকা,
প্ৰতিগৰাকী শ্বহীদৰ আত্মাই
শান্তি লাভ কৰিব।
দুৰনীতিবোৰ নাইকিয়া হৈ
দেশত শান্তি আহিব
আমি গৌৰৱেৰে থাকিম স্বাধীন
দেশৰ নাগৰিক হৈ।
গাই যাম আমি স্বাধীনতাৰ
গান স্বাধীন মনে
ত্ৰিৰংগাৰ তলত শপত লৈ
গাই যাম আমি
'জন গণ মন অধি নায়ক জয় হে'
হে স্বাধীন দেশৰ মানুহ
শত কোটি প্ৰণাম জনালোঁ
বৃটিছক খেদি আমি হৈছোঁ
ভাৰত বাসী স্বাধীন।
স্বাধীন ভাৰতৰ স্বাধীন
দেশৰ নাগৰিক আমি।

## আক্ষেপ

প্ৰদীপ দাস ঠাকুৰ, ননৰা

মই মোক বুজি পাব পৰাকৈ
সজাই পৰাই নাৰাখোঁ কোনোকালে
মোক হীন বুলি ভবা
মানুবোৰৰ ওচৰত
মোৰ কোনো আপত্তি নাই।

তুমি গুচি যোৱাৰ পিছত
মই আহি পালোঁ
তাকে ভাবি থকাতকৈ
এখন কিতাপকে পঢ়িম
শিকিব নোৱাৰিলেও
কথা নাই কোনো কথা
চুই চাই ভাল লাগিব
তাৰ নিজস্ব গোন্ধে
আমোলমোলাব মোৰ হৃদয়।

## আশা ভংগ বেদনা

জুৰিমণি মুদৈ, ৰহা

আশাই দেখুৱাই সপোন
আশাৰ সপোনতে
বন্দী এই জীৱন।

আশাৰ প্ৰদীপে জীৱন পথত
যদিহে নিদিয়ে এধানি পোহৰ
জীৱনলৈ নামি আহে ঘোৰ অন্ধকাৰ
আশাভঙ্গৰ বেদনাত
হৃদয়ত বাঢ়ে তীব্ৰ যন্ত্ৰণা
দুচকুৰে নিগৰে তপ্ত অশ্ৰুৰ বন্যা।

জীৱনৰ কণ্টকময় পথত থকা-সৰকা হৈ
হ'লোঁ আজি দিশহাৰ পথিক
নিষ্ঠুৰ সময়েও লুটি নিলে মোৰ
জীৱনৰ সকলো আশা, অদম্য হেঁপাহ
উজাই আহিব বিচাৰে মোৰ বুকুৰ উশাহ।

জীৱনৰ আশাবোৰ
আশা হৈয়েই ৰক্সল
সোণৰ সপোনবোৰ
চূৰমাৰ হ'ল
আশাবোৰ আজি চগা হৈ উৰে
জীৱনৰ কাল ধুমুহাত
সপোনৰ কাৰেংঘৰ খহি খহি পৰে
আশা ভঙ্গৰ বেদনাই হৃদয়খন ছাৰখাৰ কৰে।

## সাৰে থকা শংখবোৰ হাতত লৈ

ৰঞ্জন বৰ্মন, লখিমপুৰ

দুখৰ পোছাকযোৰ খুলি
কালি ওৰেটো ৰাতি
গা ধুলোঁ তোমাৰ কবিতাৰ
জোনাকৰ ঢৌত

সাৰে থকা শংখবোৰ হাতত লৈ
আকউ এবাৰ আওৱালোঁ
বুলেটৰ দৰে তীক্ষ্ণ কঠিন
এটি দুঃসাহসিক
কবিতাৰ শাৰী

সন্ত্ৰাস সাম্প্ৰদায়িকতাৰ
আবেষ্টনীৰ মাজতো
তোমাৰ প্ৰজ্ঞাৰ আঁচল ধৰি
পৰিভ্ৰমণ কৰিলোঁ
ভালপোৱাৰ জলফাইৰঙী পৃথিৱী

তোমাৰ যাদুকৰী শব্দত
আৰ্টগীল্ডৰ এসন্ধ্যা
কবিতাৰ পৃথিৱীৰ মই হৈ
উঠিলো দুৰ্দান্ত প্ৰেমিক
আৰু বুকুত ৰোপণ কৰিলোঁ
ভালপোৱাৰ অবিনাশী বীজ
যি ৰ'দ, বৰষুণ, ধুমুহা কিম্বা
সাগৰৰ উত্তাল ঢৌৰ গৰ্জনতো
শান্ত, সমাহিত

হে প্ৰিয় কবি, ধৱল বালিচৰত
মাছৰ বাকলিবোৰ গাত লেটি
লৈ ঘূৰি ফুৰোঁতে
তোমাৰ কবিতাৰ কথাকে
ভাবি ভাবি মই জিন গ'লোঁ
তোমাৰ কবিতাৰ মাজত

## উভতি চোৱা দিনবোৰ

লাৱণ্য নাথ, বঙাইগাঁও

তোমাক বিচাৰি ফুৰোঁ নিৰলে
সময় সলনি হ'ল;
ভালে আছানে?

কল্পনা-প্ৰসূত জীৱন শৈলী
বোৱতী নৈৰ দৰে বৈয়ে আছে।
লগপোৱা সঙ্গীবোৰ
লাহে লাহে আঁতৰি গৈছে।
শৈশৱ কৈশোৰ মাজে মাজে উভতি চাওঁ
জীৱনটোক ৰঙীন কৰিবলৈ।

আকাশত জীৱন বিচাৰি ফুৰা
মোৰ তাহানিৰে অভ্যাস।
জোনৰ পোহৰ, তৰাৰ ধেমালি,
মেঘৰ অভিমান আৰু
সুৰুযৰ খঙৰ সৈতে
মিতিৰালি জীৱন।

নৈখনি বৈ আছে সাগৰত
হেৰাই নোযোৱালৈকে...

## ব্লেক বিউটি

মৌচুমী গোহাঁই, লাহোৱাল

সেই দিনা আবেলি
চেনিৰাম চেনিমাই
বিয়ালৈ ওলাইছে
সাঁজি কাচি।।
ৰঙাপাটৰ সাজেৰে নোশুৱাই
কলা বৰণীয়া বাবে
গিলি পেলাই ৰঙা ৰঙে
বোলে চেনিমাইক
কমলা ৰঙে নোশুৱাই
পণ্ডিতৰ দৰে দেখে বোলে চেনিৰামক
ইসাঁজে নোশুৱাই
সি সাজে নোশুৱাই
ইফালে সাজোঁতেই কাচোতেই
ফেঁচু বোলে ৰজা হয়।
উফ্ চেনিৰাম চেনিমাইৰ
কাপোৰ পৰিধানক লৈ
মন উগুল থুগুল।
সময় যায়...
টিক টিক কৈ উৰি
কণমানি বুলবুলি।
আছিল
ৰেডিঅ'ত গান শুনি
হিন্দী গীতৰ বোলছবি
চাজিনা হে মুঝে...
চাজিনাকে লিয়ে....
গানে মন সলাই নিয়ে
চেনিমাইয়ে বোলে
সাজিব লাগে কিয় আনৰ বাবে!
চেনিৰামে বোলে ...
সাজিব লাগে নিজৰ বাবে
আপুন ধুনীয়া
জগত ধুনীয়া
মনৰ সেউজীয়া ৰঙৰ সৈতে
চেনিৰাম চেনিমাই
দুয়ো হাতে হাত ধৰাধৰিকৈ
মুখত মিচিকিয়া হাঁহি লৈ
ওলাই আহিল বিয়ালৈ।।

## বিভঙ্গ ৰাতি

ব্ৰজেন মেধি, বালিতাৰা

আন্ধাৰ আৰু পোহৰ
মিলিত হোৱা ঘাটত
প্ৰায়ে আউল লাগে
মোৰ মন-নদীৰ ধাৰ।

দিনটো তাঁতবাতি কৰোঁতে
কেঁচা বৰষুণ সৰি
কোমল হোৱা মাটিত
সমূলি বিকশিত গছ
পাতৰ ভৰত উভালি পৰা দেখিছো
এতিয়া চৰায়ে ক'ত বাহ সাজিব?

লাহে-লাহে বাঢ়ি অহা ৰাতিৰ বুকু
বাহ হেৰুৱা চৰাইৰ চকুলোৱে তিয়াই।
ৰাতিৰ জোন কাৰো শতৰু নহয়
অনুজ্জ্বল নিলগাবলৈ মুঠি মুঠি কৈ
চতিয়াই দিয়া পোহৰ পৰি
সেমেকি উঠে।

বিভঙ্গ ৰাতি
কাৰণো কামনা জাগিব
উদং হৈয়ে থাকে গভীৰ গৰ্ভ!

## লক্ষ্যহীন যাত্ৰা

নাৰায়ণ গোঁড়, ঢেকিয়াজুলি

নিজস্বৰ মাজত ডুবি গৈ আছো
আশা আছিল বহু
জীৱনক ন-ৰূপে সজোৱাৰ

সপোন সপোন হৈ ৰল
কল্পনা মাথোঁ কল্পনা!

ভৰা নাছিলো কাহানিওঁ
জীৱনৰ মাজ বাটত থমকি ৰম বুলি।
সপোন দেখি কৰিলোঁ ভুল

ৰিক্ত দুই হাত
উদ্দেশ্যেহীন আন এক যাত্ৰা।
নাই কোনো সপোন,
নাই লক্ষ্য, নাই আশা
মাথোঁ গৈ আছো....

নাই পোৱা-নোপোৱাৰ দুখ
নাই হেৰুৱাৰ বেদনা
মাথোঁ জীয়াই থকাৰ বাহনা।

## বঞ্চিত প্ৰেম

মৃদুল কলিতা, নলবাৰী

জোনাক নিশাৰ
মধূৰ ক্ষনত
গনিলোঁ তোমাৰ উসাহ।

বিচাৰি পালোঁ
প্ৰতিটো উসাহত
বিষাদৰ প্ৰহেলিকা।

মনৰ মাজত
উমলাই ৰাখিছা
যৌৱনৰ এচাটি বা।

মানুহৰ আগত
দেখাই ফুৰিছা
বিষাদৰ হাঁহিৰ ছাঁ।

হেন জানি
হৃদয়ৰ বাগিচাত
ৰোইছা গোলাপৰ পুলি।

দিবহে নোৱাৰা
চেনাইৰ হাতত
মৰমৰ গোলাপ পাহি।

চাওঁতে চাওঁতে
হেঙুলীয়া ৰশ্মি
কালসন্ধ্যাত বুৰ গ'ল।

মনৰ মাজত
হৃদয়ৰ প্ৰেমো
মনতে মৰহি গ'ল।

## স্বাধীনতাৰ সপোন আৰু বাস্তৱ

আয়শা ছিদ্দিকা (আছৰি)

পতাকা উৰুৱাই আমি গৌৰৱ কৰোঁ,
কিন্তু স্বাধীনতাৰ অৰ্থ জানোনে স্পষ্ট?
সংবিধানৰ শব্দ হ'ল শুকান কাগজ,
ক্ষমতাৰ দাপোনত প্ৰতিবিম্ব বিকৃত।

প্ৰশ্ন কৰিলে শাস্তি, মত দিলে বিপদ,
জাতি-ধৰ্মৰ নামত ৰক্তৰেখা চিত্ৰ
ৰাজনীতিৰ খেলিমেলি স্বাৰ্থৰ জয়গান,
সাধাৰণ মানুহৰ স্বাধীনতা ক'ত?

স্বাধীনতা মানে মাত্ৰ পতাকা নেকি,
নে উচুপনিৰ হকে বন্দী চৰকাৰ?
স্বাধীনতা হয় যদি মৌনতাৰ ভীতি,
তেন্তে এই স্বাধীনতা ঘোৰ অন্ধকাৰ।

মুক্তিৰ পথ হ'ল সচেতনতা,
স্বাধীন হ'বলৈ হ'লে মুক্ত কৰা মন
হিংসা-নিন্দা পৰিহাৰ কৰি
মানৱতাৰ প্ৰাচীৰ গঢ়ি তুলিবৰ হ'ল।

## সময়েও গতি সলাই

ৰূপালী গগৈ চুতীয়া, ডিব্ৰুগড়

জীৱন ঘড়ীৰ কাটা
কোনে ঘূৰাই
সুখ দুখৰ নাটকখন
কোনে চলাই
আমিও জানো সেই দুল
আমাৰ হাতত নাই।
ধুমুহাৰ বৃষ্টি আহে আৰু যায়
সময়েও গতি সলাই
পৃথিৱীৰ সমস্ত বোৰ
জীয়াই থাকোঁতে নিজৰ কৰাৰ
হাবিয়াস বোৰে তেওঁকেই
খুলি খুলি খাই।
ওৰে জীৱন মৰাক মাৰি
নিজৰ কৰাৰ সপোন
কেঁচা কলিজাৰ ঘাঁ সুকোৱাবলৈ
আজি তেওঁৰ চকুলোত
ঠাই আৰু নাই।
মনে মনে কান্দিছে
আনে দেখাকৈ হাঁহিছে
আজি নিজকে আঁতৰাই
সুখী হৈছে কিয় জানানে?
জীৱন ঘড়ীৰ কাটা
মন গ'লেই নিজেই ঘূৰাই
নিজেই ঘূৰাই!

## মিলন সেতু

ধন্তি বৰদলৈ

হৃদয়ৰ পৰা হৃদয়লৈ বহু দূৰ হৈছে
দুখন হৃদয়ৰ মাজত বান্ধো নেকি
এখন পৰিপক্ব সেতু!
যি সেতুৰ দুটি পাৰে থাকিব
তোমাৰ মোৰে হৃদয়ৰ সহজ ঠিকনা।
দৰিদ্ৰতাই ওঁঠবোৰ চিলালেও
পাৰ হ'ম সময়ৰ সোঁতত
ভতিয়াইও যাব পাৰো তোমাৰ বাবে
তোমাৰ সৰল অনুগ্ৰহত।
সপোন বোৰ ঠুনুকা নকৰিবা
সপোন বোৰেই হব আমাৰ
সেতুৰ মজবুত খুটা!
কিন্তু নাথাকিব
আমাৰ সেতু বান্ধিবলৈ
বানৰ সেনা!
নিজেই বান্ধিব লাগিব
দুৰ হৃদয়ৰ সংযোগৰ
সৰল সেতু।
আনৰ মানসিকতাৰ গোন্ধত
নিজৰ আবেগ বোৰ নকৰিবা
আনৰ মানসিকতাৰ দৰে
দুৰ্গন্ধ ময়!
কাৰণ সেতু বান্ধিম আমি
হৃদয়ে হৃদয়ক বান্ধিবলৈ।।

## মায়াৱতী

দেলোৱাৰ হুচেইন

ঃ মায়াৱতী
ঃ উম ...
ঃ এজনী নাৰীয়ে পুৰুষৰ পৰা কি বিচাৰে?
ঃ বিশ্বাস, নিৰাপদ আশ্ৰয়,
ভালপোৱা আৰু আকাশসম যত্ন।
ঃ পালা নে তুমি?
ঃ মোৰ কাজলসনা দুচকুলৈ চোৱা
আৰু শব্দৰ আলপনাৰে চিত্ৰায়িত কৰা।
ঃ মই অনন্তকালৰ বাবে
বিস্মিত, নিথৰ, নিৰ্বাক
তোমাৰ কাজলসনা দুচকুত
জান্নাতৰ সমস্ত জেউতি
কবি মনৰ নিভৃত ফ্ৰেমত
আজীৱনৰ বাবে বন্দী
ধ্যানমগ্ন শিল্পীৰ নিখুঁত সৃষ্টি তুমি।
ঃ উম ... বুজিলো।
ঃ আচ্ছা মায়াৱতী!
তুমি কবিতা বুজি পোৱা?
ঃ তুমি কাষত থাকিলে
গোটেই বিশ্ব ব্ৰহ্মাণ্ডই কবিতা।
ঃ আৰু নিবিড়তা ...
ঃ নিবিড়তাৰ স্বৰ্গীয় মোহনাত ওপঙি থাকে
তুমি নামৰ এখনি ব্লকবাষ্টাৰ ছবি।
ঃ মায়াৱতী! তুমি মোৰ
পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ প্ৰশান্তি
তেজৰ সম্পৰ্কৰ ঊৰ্ধত ঐশ্বৰ্য বিভূতি।

## এখন বগা চাদৰ

বিনীতা শইকীয়া, গোলাঘাট

আঁৰ কাপোৰ গুচাই
মুকলি আকাশৰ পচুৱাত
উৰি ফুৰা ৰং বিৰং চিলাখনেও
এটা ঠিকনা বিচাৰে
বুকুত এহেজাৰ এটা সপোন লৈ।
কোন জানে কোনে বুজে
নেদেখা ঈশ্বৰৰ কথা।
সময়ৰ দকমকাত মৃত্যুৰ ঘণ্টায়ে
বেল মাৰে অজানিতে।
এদল সৈনিকৰ কিছু কল্পনা কিছু আশা,
শব্দৰে সাঁজিব খোজে এখন সুখৰালয়,
য'ত থাকে কেৱল আৰু
কেৱল মৰম ভালপোৱা,
ভাল লগা, বেয়া লগা ইত্যাদী ইত্যাদীবোৰ।
দুখৰ সাগৰত সুখৰ চাকনৈয়াত
এজাক শান্তিৰ কপৌয়ে আহি জিৰাব খোজে
বৰঘৰৰ মজিয়াত।
তুমি মই কেনেকৈ কওঁ
যম ৰজাৰ দীঘলীয়া শিৰোনামত
কোনে প্ৰথমে আৰু
কোনে শেষত বগা চাদৰখন
গাত মেৰিয়াই কাহানিও
উভতি নহালৈ অপেক্ষা কৰে।
কথাবোৰত দুখে বিৰাজ কৰে
তথাপিও দেখোন
দৈনন্দিন জীৱনটো পিচুৱাই নাহে।
হেতালি খেলা জীৱনটোক লৈ
কিমান যে জল্পনা-কল্পনা,
মহাসাগৰৰ বুকুত আমি প্ৰত্যেকেই
এজন এজন সুদক্ষ অভিনেতা।
জিকা-হৰা প্ৰতিযোগিতাত
ভাগ লৈ প্ৰতিদিনেই
এটাৰ পিছত এটা অভিনয় কৰি
গৈ আছোঁ আৰু
গৈ থাকিম জীৱনে হাৰ নমনালৈ।
শিৰোনামত থাকে মাথোঁ এখন বগা চাদৰ, ।

## আধৰুৱা কথাবোৰ

ভাস্কৰজ্যোতি কুটুম

তুমি মোৰ কাষত থকা হ'লে
বহু কথাকে ক'লো হে
সম্পৰ্কবিহীন এইয়া যেন
মই তোমাক ভাল পোৱাৰ কথা।
এনে লাগে তুমি মোৰ প্ৰেমিকা চৰাই
ফুলনি শুৱনি কৰা ধুনীয়া গোলাপ
দৈনিক কেৱল তোমাৰ কথাকে ভাবোঁ
তোমাৰ ধুনীয়া চকুযুৰিৰ প্ৰেমতে পাৰোঁ।

এইয়া কি ভাল পোৱা নে ভাল লগা?
মইতো নাজানো....
কেৱল চোৱাৰ হেঁপাহেৰে
পৃথিৱীৰ নানান সপোন ৰচোঁ
আঙুলিৰ মূৰতো তোমাৰ নামকে লিখোঁ
ৰাতিৰ সৌন্দৰ্য্যত তোমাকে দেখো
নদীৰ কলকলনিতো তোমাৰ মাতকে শুনো
তোমাৰ কথাকে ভাবি
নিজৰ কৰাৰ সপোন দেখোঁ।

## বাৰিষাৰ নদী বঢ়াদি

মৰমবোৰ বাঢ়িছে

বলিন বৰদলৈ, গোলাঘাট

বাৰিষাৰ নদীৰ পানী বঢ়াদি
মৰমবোৰ বাঢ়িছে তোমালৈ মোৰ
কি কৰিম কোৱাচোন এবাৰ
মইও যে সঁচাই নিৰুপায় ।
বাঢ়িছে মৰমবোৰ
ফেনে-ফোটোকাৰে
বুৰাইছে পাৰ
নদীয়ে পাৰৰ গাঁও,
পথাৰ বুৰোৱাৰ দৰে
বুৰিছে হৃদয় নদীৰ দুয়োটি পাৰ
বিধ্বস্ত জীৱনৰ ৰং
বিশ্বাসত জীপাল হৃদয় ।
আকুলতাৰে সাবতি ধৰোঁ
জোনাক বিছাৰি আন্ধাৰ
উত্তলা সপোন ফাগুন
সেউজীয়াতকৈও
সেউজীয়া মন-প্ৰাণ ।
পলাশ ফুলিছে, ফুলিছে কৃষ্ণচূড়া
নদীৰ বুকুৰে নাও
বাই যায় জোনবাইজনী
নিজতকৈও বেছি ভাল পায়
প্ৰেয়সীজনীক যি
মৰমৰ বাহিৰে আন
একোকে ভাবিব নোৱাৰে ।
মৰমৰ জোৱাৰত উটিছে-ভাঁহিছে
বাৰিষাৰ নদীৰ পানী বঢ়াদি
মৰমবোৰ বাঢ়িছে তোমালৈ মোৰ ।

## কামলেখা

সঞ্জীৱ গগৈ, যোৰহাট

"ঐ ছোৱালী কিমান দাম তোৰ?"
সমাজৰ সভ্য বৰষুণ জাকত
জুৰুলি-জুপুৰি হোৱা বহুতৰেই প্ৰস্তাৱ,
নিষিদ্ধ কুঠৰীৰ দুৱাৰত
টুকুৰিয়াই প্ৰশ্ন কৰিছিল।

মুখা পিন্ধা বাণিজ্যিক দৃষ্টিত
অশ্লীল হৈ পৰিছিলোঁ সিদিনা,
দুচকুৰ সন্মুখত বাৰম্বাৰ
ভাহি উঠিছিল অনাথ ভগ্নীৰ
ধাতুস্থ ৰুগীয়া শৰীৰ।

মাৰ্জিত সভ্যতাৰ নিষিদ্ধ
বেহাৰ এক অপৰিহাৰ্য পণ্য,
একে সভ্যতাৰে বহুজনে অৰৱণ
গুচাই মোৰ শৰীৰৰ দৰদাম কৰে আৰু
বহুজনে কৰে মোৰ চৰিত্ৰৰ মূল্য নিৰ্ধাৰণ।
মোৰ দাম সিহঁতৰ কামানিৰ নগণ্য এভাগ।
হেৰৌ মোৰ চৰিত্ৰৰ মূল্য নিৰ্ধাৰণকাৰী,
থ হেৰৌ, তহঁতে নোৱাৰিবি
মোৰ মূল্য জুখিব।

ভদ্ৰ সমাজৰ মই এক নষ্ট চৰিত্ৰ
যি চৰিত্ৰই সতীত্বৰ বেদীত
উত্তোলন কৰিব বিচাৰিছিলোঁ
নিষিদ্ধতাৰ পতাকা।
অশ্লীলতা বিৰোধ কৰি যিটো চৰিত্ৰই
নিজে জঁপিয়াই পৰিছিলোঁ বিস্ফুৰিত
অগনিৰ উতপ্ত ৰক্ত শিখাত।

নিষিদ্ধ বেহাৰ মই নিষিদ্ধ বেপাৰী,
শ্লীল সমাজৰ অশ্লীল গাথা।

## শাওনৰ বৰষুণজাক

দিগন্ত বৈশ্য, হাওৰাঘাট

আহো বুলিয়েই আহিলে
দিও বুলিয়েই দিলে
শাওনৰ বৰষুণজাক।
নুশুনিলে মোৰ কথা অলপো
নুবুজিলে মোৰ ভাষা।
ধুৱাই থৈ গল
সেই বৰষুণজাকে
মোক বেয়াকৈ।

## কথাবোৰ কোৱাৰ প্ৰয়োজন আছে

হিমাজ্যোতি তালুকদাৰ

কথাবোৰ কোৱাৰ প্ৰয়োজন আছে

সকলো ঠিকে আছে
সকলো ঠিক হৈ যাব বুলি ভাবিয়েই
অথচ আপুনি মোৰ আপোন আছিল

আপুনি পাহৰি পেলালে
সেয় একেই চোতাল
একেই ঘৰ
একেই বিছনা
অথচ আপুনি আপোনাৰ ঠাইত নাই

জোনাক বুটলি অনাহে কথা আছিল
এন্ধাৰতে সন্তুষ্টিবোৰ
বুটলিবলৈ খেপিয়াই থাকিলোঁ

অন্তৰৰ বেজাৰ
ওঁঠৰ কঁপনিত
চকুৰ পানী হৈ বৈ যায়

## অগৰাই ছাতি ধৰা সোঁতহীন কায়া

হিল্লোল ভৰদ্বাজ

তুমি সাঁজ আৰু ৰহিৰ আড্ডাত বহি
এটি কবিতা শুনালা
আৰু মোক ক'লা কবিবোৰ মৰি যায়
মৰি নাযায় কবিতাবোৰ,

গতিকে হে কবি, কবিতা নেৰিবা।

তুমি হেনো অতদিনে কিছু কথা বুকুত বান্ধি
ধলি নৈৰ সিপাৰে পাইচাৰি কৰি ফুৰিছিলা
উদ্দেশ্য আছিল পঁয়ালগা প্ৰেমৰ পৰিণাম
ময়ো তোমাক বিচাৰি হাবাথুৰি
খাইছিলোঁ ননৈৰ বুকুত
অথচ লুইতৰ ডিঙা মেলা
ঘাটতে হ'ল আমাৰ মিলন

প্ৰথম তোমাৰ গাঁৱলৈ যাওঁতে
গাঁৱৰ প্ৰতিঘৰলৈ লৈ গৈছিলা মোক
সেয়ে সকলোৱে সাঁজৰ বাতিত
আজিও মোৰ ওঁঠৰ সুবাস,

কথাবোৰে মনত মকৰা-জাল
বান্ধিছিল বাৱেই
উজনিমুৱা ট্ৰেইনেৰে গুচি
আহিলোঁ তোমাৰ কাষলৈ
নহ'লে যে দহি মৰিব লাগিব
শাওঁৰাৰ তলত
ভাগি পৰিব হাড়-মূৰ ননৈৰ সোঁতত
যি সোঁতত উটি গৈছিলোঁ
তোমালৈ এদিন,

